# দ্বিতীয় অধ্যায়
# বৃটিছ ভাৰতবৰ্ষৰ শিক্ষা ঃ আৰম্ভণি
# (Education in British India : Beginning)

- বৃটিছ শাসনৰ আৰম্ভণিত ভাৰতবৰ্ষৰ দেশীয় শিক্ষা ব্যৱস্থা (Indigenous Education at the Beginning of British People)
- অসমত মিছনেৰীসকলৰ শৈক্ষিক কাৰ্যসমূহ (Educational Activities of Missionaries in Assam)
- ইষ্ট-ইণ্ডিয়া কোম্পানীৰ ভূমিকা (The East Indian Company's Role)
- চাৰ্টাৰ আইন, ১৮১৩ চন (The Charter Act of 1813)
- প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ (The Anglicists-Orientatist Controversy)
- মেকলেইৰ প্ৰতিবেদন, ১৮৩৫ চন (Maculay's Minute, 1835)
- নিম্ন পৰিস্ৰাৱন নীতি (Down Ward Filtration Theory)

## বৃটিছ শাসনৰ সময়ত ভাৰতবৰ্ষৰ দেশীয় শিক্ষা ব্যৱস্থা (Indigenous Education at the Beginning of British Rule)

প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থা মূলত জাতি-ভেদ পদ্ধতিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল। সম্পূৰ্ণ ধৰ্মীয় চেতনা আৰু আত্ম-শিক্ষা আহৰণৰ দ্বাৰা শিক্ষা প্ৰদানত গুৰুত্ব দিয়া হৈছিল। ভাৰতীয় জীৱন-প্ৰণালী, সামাজিক দৰ্শন, ৰীতি-নীতি, সংস্কৃতি, ধৰ্ম আৰু পৰম্পৰাৰ ভিত্তিত এক স্বকীয়তাৰে ভাৰতীয় শিক্ষা ব্যৱস্থাই বিকাশ লাভ কৰিছিল। শিক্ষাৰ মূল উদ্দেশ্য আছিল জীৱনৰ বিষয়ে উপলব্ধি কৰি সাংস্কৃতিক চেতনা আৰু চৰিত্ৰ বিকাশ সাধন কৰা। কিন্তু বৌদ্ধিক শিক্ষা ব্যৱস্থাই সমাজৰ সকলো শ্ৰেণীকে শিক্ষা প্ৰদানৰ পোষকতা কৰে আৰু নালন্দা বিশ্ববিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠান স্থাপন কৰি ভাৰতীয় শিক্ষা ব্যৱস্থাক বহু ওপৰলৈ লৈ যায়। ঠিক তেনেকৈ মধ্যযুগৰ মুছলমান শিক্ষা ব্যৱস্থায়ো কলা, দৰ্শন, চিত্ৰ শিল্প, বিজ্ঞান আদি বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰি জ্ঞানৰ পথাৰ সমৃদ্ধ কৰিছিল।

গতিকে দেখা যায় যে ভাৰতবৰ্ষত বৃটিছসকলে নতুন শিক্ষা ব্যৱস্থাৰ স্থাপন কৰাৰ আগতে হিন্দু আৰু মুছলমান লোকসকলে তেওঁলোকৰ নিজ নিজ শিক্ষা ব্যৱস্থা কৰিছিল। ১৯ শতিকাত ভাৰতবৰ্ষত



দেশীয় শিক্ষা প্ৰদানৰ প্ৰধানকৈ টোল, পাঠশালা, মোক্তাৱ, মাদ্ৰাছা, আৰবী স্কুল আদিৰ ব্যৱস্থা কৰা হৈছিল। হিন্দু সকলৰ শিক্ষানুষ্ঠানসমূহত শিক্ষাৰ মাধ্যম আছিল সংস্কৃত। আনহাতে মুছলমান শিক্ষানুষ্ঠানসমূহত আৰবী আৰু পাৰ্চীয়ান আছিল। সমাজৰ আঢ্যৱন্ত শ্ৰেণী, ভূমিৰ স্বত্ব থকা লোক আৰু সামৰ্থবান লোকসকলে শিক্ষকসকলৰ দৰমহা প্ৰদানত সহায় কৰিছিল। শিক্ষকসকলক থকা-খোৱাৰ ব্যৱস্থাও বিনামূলীয়াকৈ কৰা হৈছিল। আনহাতে উচ্চ শিক্ষা কেন্দ্ৰ হিচাপে স্থানীয় মন্দিৰ, মঠ, জমিন্দাৰসকলৰ গৃহ ইত্যাদিক ব্যৱহৃত কৰা হৈছিল। অতি সীমিত সংখ্যক লোকেহে উচ্চ শিক্ষা লাভ কৰিছিল। কাৰণ এনে শিক্ষা অতি খৰচী আছিল। হিন্দুসকলৰ শিক্ষানুষ্ঠআন ব্ৰাহ্মণসকলৰ বাসগৃহতেই সম্পন্ন কৰা হৈছিল আৰু সৰহ সংখ্যক শিক্ষাৰ্থী আছিল ব্ৰাহ্মণ সম্প্ৰদায়ৰ। মহিলা সকল শিক্ষাৰ পৰা বঞ্চিত হৈছিল। হিন্দু অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ বিবেচনা কৰিছিল যে মহিলাসকলে শিক্ষা লাভ কৰিলে মৃত্যুৰ হাৰ বৃদ্ধি হ'ব। তেনেদৰে মুছলমান সকলেও মহিলা শিক্ষা অৰ্থহীন বুলি চিন্তা কৰি মহিলাসকলক শিক্ষা প্ৰদানৰপৰা বিৰত ৰাখিছিল। মাদ্ৰাছা সমূহত নিয়োজিত শিক্ষকসকল প্ৰধানকৈ মৌলবী আছিল যদিও আৰবী আৰু পাৰ্চীয়ান বিদ্যালয়সমূহত হিন্দু শিক্ষকসকলেও পাঠদান কৰিছিল। কিছুমান হিন্দু ছাত্ৰই পাৰ্চীয়ান বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। কাৰণ সেই সময়ত পাৰ্চী ভাষা "কোৰ্ট ভাষা" (Court language) হিচাপে ব্যৱহৃত আছিল। পৌৰাণিক বিষয় — ভাষাজ্ঞান, তত্ত্ববিজ্ঞান, ন্যায়, ব্যাকৰণ, পুৰাণসমূহ, দৰ্শন, নৈতিক বিজ্ঞান বা নীতিশাস্ত্ৰ আদিৰ জ্ঞান শিক্ষানুষ্ঠানসমূহত প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছিল।

অধিক সংখ্যক শিক্ষানুষ্ঠান ধৰ্মীয় প্ৰকৃতিৰ আছিল আৰু ইয়াৰ মূল উদ্দেশ্য আছিল সুদক্ষ পণ্ডিত আৰু মৌলবী গঢ়ি তোলা। হিন্দু আৰু মুছলমান উভয়ৰে পৃথক শিক্ষানুষ্ঠান আছিল। হিন্দু আৰু মুছলমানসকলৰ দেশীয় প্ৰাথমিক বিদ্যালয়সমূহত প্ৰধানকৈ ব্যৱহাৰিক শিক্ষা আৰু 3R'sৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক আৰু মাক-দেউতাকৰ পৰা শিক্ষকসকলে একেবাৰে ন্যূনতম দৰমহা লাভ কৰিছিল। শিক্ষকসকলে শিক্ষকতাৰ বাহিৰেও অন্য বৃত্তি বা ব্যৱসায় কৰিছিল যাতে আৰ্থিকভাৱে স্বচ্ছল হয়। দেশীয় প্ৰাথমিক বিদ্যালয়বোৰৰ কোনো নিজস্ব ঘৰ নাছিল। মঠ, মন্দিৰ, শিক্ষকৰ বাসগৃহ, বণিকশ্ৰেণী লোকৰ বাসগৃহত পাঠদান কৰোৱা হৈছিল। বিদ্যালয়সমূহ হৰিজন সম্প্ৰদায়ৰ বাহিৰৰ সকলো লোকৰ বাবে মুক্ত আছিল। ছোৱালীৰ বাবে পৃথক শ্ৰেণীৰ ব্যৱস্থা নাছিল যদিও সীমিত সংখ্যক ছোৱালীয়ে এনে শিক্ষা লাভ কৰাৰ সুবিধা পাইছিল। মাতৃভাষা শিক্ষাৰ মাধ্য আছিল। পাঠ্যক্ৰম অতি সংকীৰ্ণ বিধৰ আৰু মুখস্থ বিদ্যাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। ছাত্ৰ-ছাত্ৰীক শাৰীৰিক শাস্তি প্ৰদান কৰা হৈছিল যাতে অনুশাসন মানি চলে। এনেদৰে ভাৰতীয় শিক্ষা ব্যৱস্থাত দেশীয় বিদ্যালয়সমূহে শিক্ষা বিস্তাৰৰ বাবে সুকীয়া ভূমিকা পালন কৰিছিল।

বৃটিছসকলৰ ভাৰত আগমনৰ লগে লগে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক আমূল পৰিবৰ্তন ঘটে। ১৮১৩ চনত কোৰ্ট অফ ডিৰেক্টৰে (Court of Directors) ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ অৱস্থা সম্পৰ্কে এক জৰীপ কৰাৰ বাবে পত্ৰ প্ৰেৰণ কৰে। সেই অনুসৰি ১৮২২ আৰু ১৮২৩ চনত বোম্বে আৰু

মাদ্ৰাছত দেশীয় শিক্ষাৰ ক্ষেত্ৰত এক অনুসন্ধান কৰে। লৰ্ড উইলিয়াম বেন্টিংক আৰু উইলিয়াম আডামৰ নেতৃত্বত ১৮৩৫-৩৪ চনলৈ বেংগলতো এক বিশেষ (Special) জৰীপ কাৰ্য চলোৱা হয়। এই দুয়োগৰাকী ব্যক্তিয়ে ভাৰতীয় শিক্ষাৰ উন্নতিৰ বাবে অশেষ অহোপুৰুষাৰ্থ কৰিছিল।

১৯২২ চনত মাদ্ৰাছৰ গৱৰ্ণৰ চাৰ থমাছ মন'ৰো (Sir Thomas Munro)য়ে মাদ্ৰাছৰ দেশীয় শিক্ষাৰ এপৰত অনুসন্ধান আৰু তথ্য আহৰণৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আদেশ দিয়ে। কাণাৰা (Kanara) ৰাজ্যৰ বাহিৰে সকলো জিলাৰ যাবতীয় তথ্য গ্ৰহণ কৰি ১৮২৬ চনত চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল। প্ৰতিবেদনত পোৱা তথ্য অনুসৰি মাদ্ৰাছত সৰ্বমুঠ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ সংখ্যা আছিল ১২,৪৯৮ খন আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১,৮৮,৬৫০ গৰাকী। ছাত্ৰী অবিহনে প্ৰত্যেক ৫০০ জন মানুহৰ বিপৰীতে এখন বিদ্যালয় আছিল। অৰ্থাৎ ৬৭ জন লোকৰ ভিতৰত মাত্ৰ এজনেহে শিক্ষা লাভ কৰিছিল। ছোৱালী শিক্ষাৰ কোনো ধৰণৰ সু-ব্যৱস্থা নাছিল। প্ৰাথমিক শিক্ষা ৫ বছৰ বয়সত আৰম্ভ হৈছিল আৰু ১০ বছৰ বয়সলৈ বৰ্ত্তী আছিল। কঠোৰ শাস্তিৰ ব্যৱস্থা প্ৰয়োগ কৰা হৈছিল। ৰাতিপুৱা ৬ বজাৰ পৰা পাঠদান আৰম্ভ হৈছিল। শিক্ষকে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা যোগ্য আৰু উচ্চ / ওপৰ জনক পাঠদান কাৰ্যত নিয়োগ কৰিছিল। এজন শিক্ষকে একেলগে চাৰিটা শ্ৰেণী পৰিচালনা কৰিব লগা হৈছিল। শ্ৰেণীৰ মণিটৰ (Monitor)ৰ সহায়ত শিক্ষকে অনুশাসন ব্যৱস্থা আৰু বিদ্যালয়ৰ পৰিৱেশ নিয়ন্ত্ৰিত কৰিছিল। এনেকুৱা মনিটৰিয়েল ব্যৱস্থা স্কটলেণ্ড আৰু ইংলেণ্ডত প্ৰচলিত হৈ আছিল। ড° এন্দ্ৰু বেলে (Andrew Bell) এনে ব্যৱস্থাক বিশেষভাৱে উদগনি যোগাইছিল।

১৪২৩ চনত মাউণ্টষ্টুৱাৰ্ট এলফিনষ্টোন, (Mount Stuart Elphinstone) বোম্বেৰ ৰাজ্যপাল গৰাকীয়ে বোম্বে প্ৰদেশৰ প্ৰাথমিক শিক্ষাৰ অৱস্থা সম্পৰ্কে অনুসন্ধান কৰাৰ যাবতীয় ব্যৱস্থা কৰে। বোম্বে প্ৰতিবেদন অনুসৰি বিদ্যালয়ৰ সংখ্যা আছিল ১৭০৪ খন আৰু ৩৫,১৫৩ জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰিছিল। প্ৰদেশখনৰ মুঠ জনসংখ্যা আছিল ৪৫,৮১,৭৩৫ জন। প্ৰতিবেদনত ঘৰুৱা শিক্ষাকেন্দ্ৰসমূহক অন্তৰ্ভুক্তি কৰা হোৱা নাছিল। কিন্তু পৰৱৰ্তী সময়ত ১৮৮২ চনৰ হাণ্টাৰ আয়োগৰ প্ৰতিবেদনত সৰ্বমুঠ ৩,৩৫৪ খন বিদ্যালয় য'ত ৭৮,২০৫ গৰাকী ছাত্ৰ-ছাত্ৰী আছিল বুলি প্ৰকাশ পাইছিল। গতিকে বোম্বে প্ৰতিবেদনখন পৰিসংখ্যাৰ ফালৰ পৰা বিস্তৃত, নিৰ্ভৰযোগ্য আৰু গ্ৰহণযোগ্য নাছিল। অৱশ্যে বোম্বে প্ৰতিবেদনত আন কেতবোৰ তথ্যও প্ৰকাশ পাইছিল। উদাহৰণস্বৰূপে — (i) বিদ্যালয়সমূহ এজনীয়া শিক্ষকৰদ্বাৰা পৰিচালিত হৈছিল। (ii) বিদ্যালয়সমূহ মন্দিৰ, ব্যক্তিগত বাসস্থান, শিক্ষকৰ বাসগৃহ আদিত গঢ় লৈছিল। (iii) প্ৰতেকখন বিদ্যালয়ত ২ জনৰ পৰা ৫ জনলৈ ছাত্ৰ আছিল। (iv) হিন্দু শ্ৰেণীলোকৰ বাবে বিদ্যালয় মুক্ত আছিল, কিন্তু সাম্প্ৰদায়িক নাছিল। (v) মুছলমান সকলৰ বাবে পৃথক দেশীয় বিদ্যালয় নাছিল য'ত ৬ জনৰ পৰা ১৪ জন শিক্ষাৰ্থী আছিল। (vi) ছপা পাঠ্যপুথিৰ প্ৰয়োগ একেবাৰে হোৱা নাছিল। (vii) এই দেশীয় বিদ্যালয়ত কেৱল ল'ৰা সকলেহে শিক্ষা লাভ কৰিছিল। (viii) শিক্ষা পদ্ধতি মৌখিক আছিল।



এইখিনিতে উল্লেখনীয় যে দেশীয় শিক্ষা সম্পৰ্কে বেংগলত কোনো ধৰণৰ চৰকাৰী পদক্ষেপ লোৱা হোৱা নাছিল। বেংগলত স্কটিছ (Scottish Church) গীৰ্জাযাজক উইলিয়াম আডাম (William Adam) ৰ তত্বাৱধানত ১৮১৮ চনত এক শিক্ষামূলক অনুসন্ধান কৰা হয়। লৰ্ড উইলিয়াম বেন্টিংকৰ অনুৰোধত আডামে বেংগলত শিক্ষানুষ্ঠানসমূহৰ জৰীপ কৰে আৰু প্ৰায় তিনিবছৰ কাল ১৮৩৫ চনৰ পৰা ১৮৩৮ চনলৈ সম্পূৰ্ণ জৰীপৰ সহায়েৰে তিনিখন বিশেষ প্ৰতিবেদন প্ৰস্তুত কৰিছিল। তেওঁৰ জৰীপকাৰ্য বেংগল আৰু বিহাৰৰ কিছু সংখ্যক জিলাতেই সীমাবদ্ধ আছিল। এই প্ৰতিবেদন যথেষ্ট বহলভিত্তিক, পদ্ধতিগত, গ্ৰহণযোগ্য, বিস্তৃত আৰু নিৰ্ভুল আছিল। এই সন্দৰ্ভত চাৰ ফিলিপ হাৰটগে (Sir Philip Hartog) য়ে মন্তব্য কৰিছিল যে শিক্ষিত লোকৰ পাৰিসাংখ্যিক তথ্য প্ৰদানৰ ক্ষেত্ৰত আডামৰ প্ৰতিবেদন হৈছে ভাৰতবৰ্ষত শিক্ষিতসকলৰ প্ৰথম পদ্ধতিগত লোকপিয়ল ("the first systematic census of literacy in India.")

দেশীয় শিক্ষা ব্যৱস্থা মূলত সাধাৰণ লোকসকলৰ স্থানীয় পৰিবেশ আৰু জনপ্ৰিয়তাৰ ফলস্বৰূপে বিকাশ লাভ কৰিছিল। কিন্তু ১৯ শতিকাৰ আৰম্ভণিতে বৃটিছসকলে নিজৰ শাসন অধিক কঠোৰভাৱে ভাৰতবৰ্ষত প্ৰয়োগ কৰাৰ বাবে উঠিপৰি লগাত, দেশীয় শিক্ষানুষ্ঠানসমূহ ক্ৰমান্বয়ে বন্ধ হৈ আহিব ধৰিলে। ইতিমধ্যে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত নিজৰ স্থিতি মজবুত কৰি সাম্ৰাজ্য গঢ়ি তুলিবলৈ সক্ষম হৈ উঠিছিল। লাহে লাহে কোম্পানীয়ে ভাৰতবৰ্ষত এক শক্তিশালী ৰাজনৈতিক শক্তি হিচাপে পৰিগণিত হয়। দক্ষতাপূৰ্ণ শিক্ষকৰ অভাৱ, সংকীৰ্ণ পাঠ্যক্ৰম, শিক্ষকৰ অনীহা, শাস্তিৰ প্ৰয়োগ আদিৰ ফলস্বৰূপে দেশীয় শিক্ষাৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণ কমি গৈছিল। এনে সুযোগতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়ববীয়াই ইংৰাজী শিক্ষা পদ্ধতিৰ প্ৰতি বিশেষভাৱে উৎসাহিত হৈ পৰিছিল। তেওঁলোকে বিচাৰিছিল যে দেশীয় শিক্ষাব্যৱস্থাসমূহ নিজে স্বাভাৱিক ৰূপত বন্ধ হৈ পৰে আৰু ইয়াৰ স্থানত এক নতুন শিক্ষা ব্যৱস্থাৰ সৃষ্টি কৰা হ'ব। আনহাতে ইংৰাজী ভাষাক কোৰ্ট, চৰকাৰী কাৰ্য্যালয় আদিত প্ৰধান ভাষা হিচাপে গণ্য কৰা হৈছিল আৰু পাৰ্চী ভাষাৰ জ্ঞান থকাটো অতি প্ৰয়োজন বুলি বিবেচনা কৰা হৈছিল। তদুপৰি ধনীক শ্ৰেণী আৰু ব্যৱসায়ী লোকসকলৰ দ্বাৰা পৰিচালিত দেশীয় বিদ্যালয়সমূহে আগৰ দৰে সাহায্য পোৱাৰ পৰা বঞ্চিত হৈছিল আৰু বন্ধ হোৱা উপক্ৰম ঘটিছিল। জনসাধাৰণৰ আৰ্থিক দুৰৱস্থাইয়ো এই দেশীয় শিক্ষা ব্যৱস্থা বন্ধ হোৱাত অৰিহণা যোগাইছিল। এনেকৈ শতিকাজুৰি বৰ্ত্তি থকা দেশীয় শিক্ষা ব্যৱস্থা ক'ব নোৱাৰাকৈয়ে ভাৰতবৰ্ষৰ মাটিৰ পৰা নিশ্চিহ্ন হৈ গৈছিল। কিন্তু সেই সময়ৰ শিক্ষাৰ বিকাশত এই দেশীয় ব্যৱস্থাৰ তাৎপৰ্য নুই কৰিব নোৱাৰি।

## মিছনেৰীসকলৰ অসম আৰু ভাৰতবৰ্ষত শিক্ষা সম্পৰ্কীয় কাৰ্যাৱলী (Educational Activities of Christian Missionaries in India as well as Assam)

ভাৰতবৰ্ষলৈ মিছনেৰীসকল কেতিয়া আহিছিল কোৱাটো টান যদিও ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমনৰ আগতেই তেওঁলোক আহিছিল বুলি অনুমান কৰিব পাৰি। সাধাৰণতে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখিয়েই তেওঁলোক ভাৰতবৰ্ষত প্ৰবেশ কৰিছিল। পোন্ধৰ শতিকাৰ শেষৰভাগৰ পৰাই মিছনেৰীসকল ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰে ভাৰতবৰ্ষলৈ আহিছিল। ১৪৯৮ খ্ৰীষ্টাব্দত ভস্কো-ডা-গামাই পৰ্তুগীজ নাৱিক হিচাপে কালিকট নামে ঠাইত প্ৰৱেশ কৰে। ইয়াৰ পিছৰ পৰাই ডাচ্চ (Dutch), ডেনিচ (Denes), ফ্ৰান্স (French) আৰু ইংৰাজ (English) মিছনেৰীসকলৰ ভাৰতলৈ আগমন ঘটে। সাধাৰণতে বেপাৰ-বাণিজ্যৰ বাবেই তেওঁলোক ভাৰতলৈ আহিছিল। সেই সময়ত ভাৰতবৰ্ষ বিভিন্ন সৰু সৰু প্ৰদেশত ভাগ হৈ আছিল আৰু সমগ্ৰ দেশত ৰাজনৈতিক দুৰ্বলতাই গা কৰি উঠিছিল। শাসকসকলৰ দুৰ্বলতাৰ সুযোগ লৈ মিছনেৰীসকলে সাম্ৰাজ্য স্থাপনৰ বাবে পৰস্পৰৰ সংঘৰ্ষত লিপ্ত হয় আৰু অনেক যুজ বাগৰৰ পিছত একমাত্ৰ ইংৰাজসকলেই নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হয় আৰু ভাৰতবৰ্ষৰ শাসনভাৰ গ্ৰহণ কৰে। তেতিয়াৰ পৰাই ভাৰতবৰ্ষত শিক্ষাৰ এক নব্য ধাৰা প্ৰচলিত হয় আৰু প্ৰাচীন শিক্ষাৰ এক নব্য ধাৰা প্ৰচলিত হয় লোপ পাবলৈ আৰম্ভ কৰে।

ইংৰাজসকলৰ ভাৰতবৰ্ষলৈ প্ৰথমে বেহা-বেপাৰৰ উদ্দেশ্যে আহিছিল। ১৭৫৭ চনৰ পলাচী যুদ্ধৰ সময়ত ইংৰাজে নবাব চিৰাউদদৌলাক পৰাস্ত কৰি ভাৰতৰ শাসনভাৰ গ্ৰহণ কৰে। সেই সময়ত মিছনেৰীসকলে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য লৈ ভাৰতবৰ্ষলৈ আহিছিল। পিছলৈ তেওঁলোকে ভাৰতবৰ্ষৰ মানুহৰ মাজত অলপ অচৰপ শিক্ষা প্ৰসাৰৰ কামত ব্ৰতী হয়। তেওঁলোকৰ আগমনে ভাৰতৰ শিক্ষাৰ স্বৰূপ সলনি কৰি পেলায়। প্ৰথম অৱস্থাত ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে বিভিন্ন ঠাইত স্কুল স্থাপন কৰে। খ্ৰীষ্টিয়ান মিছৰেনীসকলে ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত অহা কৰ্মচাৰীসকলৰ বাবে আধ্যাত্মিক চৰ্চা বিকাশৰ বাবে পোন প্ৰথমে চেষ্টা কৰিছিল, কিন্তু পিছলৈ ভাৰতৰ জনগণৰ মাজতো ধৰ্মীয় চিন্তা বিস্তাৰৰ কামত ব্ৰতী হয়। এই উদ্দেশ্য আগত ৰাখি প্ৰথমে তেওঁলোকে স্থানীয় ভাষা আয়ত্ব কৰিবলৈ লয় আৰু বাইবেলখন ইংৰাজী ভাষাৰপৰা স্থানীয় ভাষালৈ অনুবাদ কৰে। ইয়াৰ উপৰিও তেওঁলোকে স্থানীয় ভাষাৰ বিদ্যালয় স্থাপন কৰি মাতৃভাষাত শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। প্ৰথম অৱস্থাত ইষ্ট ইণ্ডিয়া কোম্পানীয়েও এইক্ষেত্ৰত প্ৰয়োজনীয় সহায়- সাহায্য আগবঢ়ায়। কিন্তু পিছলৈ কোম্পানীয়েও তেওঁলোকৰ শিক্ষানীতি সলনি কৰে। ভাৰতবৰ্ষত বিভিন্ন মিছনেৰীসকলে বিভিন্ন সময়ত প্ৰবেশ কৰি তেওঁলোকৰ শিক্ষা আৰু আন্যান্য কাৰ্যসূচীসমূহ তলত দিয়া ধৰণে বিস্তাৰ কৰা দেখা যায়।

পৰ্তুগীজসকলৰ ভিতৰত পোনপ্ৰথমে নাবিক ভাস্ক-ডা-গামাই কালিকূট নামৰ বন্দৰত উপস্থিত হয়। তেওঁলোকে বিভিন্ন শ্ৰেণীৰ লোকৰ বাবে প্ৰাথমিক, কৃষি আৰু কাৰিকৰী শিক্ষা দিয়া অনাথাশ্ৰম উচ্চ শিক্ষাৰ বাবে জেচুইট কলেজ আৰু যাজকসকলৰ বাবে চেমিনাৰী স্থাপন কৰে। এইক্ষেত্ৰত চেইন্ট জেভিয়াৰৰ নাম উল্লেখযোগ্য। ১৫৪২ চনত তেওঁ পদব্ৰজে বিভিন্ন ঠাই ভ্ৰমণ কৰি খ্ৰীষ্ট ধৰ্মৰ বাণী প্ৰচাৰ কৰি ফুৰে। ১৫৭৫ চনত তেওঁ মুম্বাইত চেন্ট এনি (Saint Annie) নামৰ বিশ্ববিদ্যালয় স্থাপন কৰে আৰু ভাৰতবৰ্ষত পোন প্ৰথমবাৰৰ বাবে কোচিনত এটি ছপাশাল স্থাপন কৰি ভাৰতীয় ভাষাত কিতাপ ছপা কৰি উলিয়ায়। পৰ্তুগীজসকলে গোৱা, দমন ডিউ, সিংহল, চিটাগং, হুগলী আদি ঠাইত প্ৰাথমিক স্কুল স্থাপন কৰি দুখীয়া ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া শিক্ষা আৰু কিতাপ, আহাৰ আদিৰ যোগান ধৰিছিল। ১৫৭৫ চনত গোৱাত জেচুইট কলেজ (Jesuit College) স্থাপন কৰি প্ৰায় তিনিশ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। পিছলৈ তেওঁলোকে বিভিন্ন ঠাইত কলেজ স্থাপন কৰি খৃষ্টধৰ্ম, তৰ্কবিজ্ঞান, ব্যাকৰণ, সঙ্গীত আদি বিষয়ত শিক্ষা প্ৰদান কৰে। ১৭ শতিকাৰ পৰা বিভিন্ন কাৰণত পৰ্তুগীজসকলৰ পতন হ'বলৈ ধৰে।



ফৰাচীসকল ১৬৬৪ চনত ভাৰতবৰ্ষলৈ আহি তেওঁলোকৰ বাণিজ্যিক ঘাটি স্থাপন কৰে। মাহে, য়ামন, কাৰাইকল, চাঁদেৰনগৰ আৰু পণ্ডিচেৰীত কেন্দ্ৰ স্থাপন কৰি প্ৰাথমিক স্কুল স্থাপন কৰে। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰ কৰা। স্কুলসমূহত ভাৰতীয় ল'ৰা-ছোৱালীৰ পঢ়াৰ সুবিধা দি স্থানীয় ভাষাৰ যোগেদি শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এইবোৰত ভাৰতীয় শিক্ষক নিযুক্তি দিয়াৰ উপৰিও ধৰ্মশিক্ষা দিবৰ বাবে একোজন মিছনেৰীক নিযুক্তি দিয়া হৈছিল। পণ্ডিচেৰীত তেওঁলোকে এখন মাধ্যমিক স্কুল স্থাপন কৰি ফৰাচী ভাষা শিকোৱাৰ ব্যৱস্থা কৰিছিল। স্কুলসমূহত বিনামূলীয়া শিক্ষা, আহাৰ আৰু পোছাক বিতৰণ কৰা হৈছিল আৰু ইয়াৰদ্বাৰা আকৃষ্ট হৈ ল'ৰা-ছোৱালী স্কুললৈ যোৱাৰ প্ৰেৰণা পাইছিল। কালক্ৰমত ইংৰাজ মিছনেৰীসকলে ফৰাচী ঔপনিবেশিক কেন্দ্ৰসমূহৰ ওপৰত আধিপত্য বিস্তাৰ কৰে।

ডাচ্ছসকল ১৭ শতিকাৰ আৰম্ভণিতে ব্যৱসায়িক উদ্দেশ্য লৈ ভাৰতবৰ্ষলৈ আহে। উল্লেখযোগ্য যে তেওঁলোকে ভাৰতবৰ্ষত ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে শিক্ষানুষ্ঠান স্থাপন কৰা নাছিল। বংগদেশৰ চিনচোৰা আৰু হুগলী নামৰ ঠাইত তেওঁলোকে ব্যৱসায়িক ঘাটি স্থাপন কৰে আৰু মাদ্ৰাছা উপকূলৰ নাগাপট্টম নামে ঠাইত ঘাটি স্থাপন কৰে। কোম্পানীৰ চাকৰিয়ালৰ ল'ৰা-ছোৱালীৰ উপৰিও স্থানীয় লোকৰ সুবিধাৰ্থে তেওঁলোকে স্কুলসমূহ স্থাপন কৰিছিল। এইক্ষেত্ৰত ব্যৱসায়িক স্বাৰ্থহে মুখ্য আছিল। পাছলৈ ইংৰাজসকলে এই কেন্দ্ৰসমূহত আধিপত্য বিস্তাৰ কৰাৰ ফলত ডাচ্ছসকল আন ঠাইলৈ স্থানান্তৰিত হয়।

সোতৰ শতিকাৰ শেষৰফালে ডেনমাৰ্কৰপৰা ডেনিত মিছনেৰীসকলৰ ভাৰতবৰ্ষলৈ আগমন হয়। ১৮ শতিকাৰ আৰম্ভণিতে তেওঁলোকে তাঞ্জোৰৰ ওচৰৰ ট্ৰাংকুবাৰ (Trankuvar) আৰু বংগদেশৰ শ্ৰীৰামপুৰত (Serampur) ব্যৱসায়ৰ কেন্দ্ৰ স্থাপন কৰে। ভাৰতবৰ্ষত শিক্ষাৰ মাজেৰে তেওঁলোকে ধৰ্ম প্ৰচাৰৰ কামত ব্ৰতী হৈছিল। আধুনিক শিক্ষা স্থাপন কৰাৰ ক্ষেত্ৰত ডেনিছসকলে বিশেষ পদক্ষেপ গ্ৰহণ কৰে। তেওঁলোকে ইংৰাজসকলৰ লগ লাগি ভাৰতত শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ কামত আগভাগ লয়। ১৭০৬ চনত দুগৰাকী জাৰ্মান ধৰ্মযাজক জিগেনবাগ (Zigenbalg) আৰু প্লুৎসো (Plutchau) ভাৰতবৰ্ষলৈ আহি ডেনমাৰ্কৰ পৰা লাভ কৰা অৰ্থসাহায্যৰে ভাৰতবৰ্ষত খৃষ্ট ধৰ্মৰ বাণী প্ৰচাৰ কৰে। তেওঁলোকে স্থানীয় ভাষা শিকি বাইবেলখন

তামিল ভাষালৈ অনুবাদ কৰে আৰু স্থানীয় ভাষাত শিক্ষা প্ৰদান কৰে। তেওঁলোকে তামিল ব্যাকৰণ আৰু অভিধানো প্ৰস্তুত কৰে। ত্ৰিবাংকুৰত তেওঁলোকে এখন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰে। মুছলমানসকলৰ বাবে তেওঁলোকে পৃথক স্কুল স্থাপন কৰিছিল যাতে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে শিক্ষাৰ সুবিধা পায়। ১৭১২-১৩ চনত ডেনিচসকলে তামিল আৰু ৰোমান ভাষাৰ ছপাশাল স্থাপন কৰে।

ইষ্ট-ইণ্ডিয়া কোম্পানীৰ পূৰ্বেই ইংৰাজসকল ভাৰতবৰ্ষলৈ আহিছিল। প্ৰথমে তেওঁলোকে খ্ৰীষ্ট ধৰ্মৰ বাণী প্ৰচাৰ কৰিবলৈ আহিছিল। ইংৰাজ মিছনেৰীসকলে ডেনিচ মিছনেৰীসকলৰ লগত লগ হৈ ভাৰতত শিক্ষামূলক কাৰ্য প্ৰচাৰ কৰে। প্ৰথম অৱস্থাত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ধৰ্মপ্ৰচাৰ আৰু শিক্ষামূলক কামত যথেষ্ট উৎসাহ-উদ্দীপনা যোগাইছিল। কিন্তু পিছলৈ তেওঁলোকে কোম্পানীৰ নীতি সলনি কৰি নতুন নীতি প্ৰবৰ্তন কৰে।

ভাৰতবৰ্ষত মিছনেৰীসকলে প্ৰতিষ্ঠা কৰা স্কুলমূহৰ কিছুমান বিশেষত্ব লক্ষ্য কৰা যায়। সেইবোৰ তলত দিয়াধৰণে প্ৰকাশ কৰিব পাৰি—

১। এই স্কুলসমূহৰ প্ৰধান উদ্দেশ্য আছিল ধৰ্মীয় শিক্ষা প্ৰচাৰ কৰা। এই উদ্দেশ্য আগত ৰাখি খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ দিহা কৰা হৈছিল আৰু বাইবেলক প্ৰধান গ্ৰন্থ হিচাপে বিবেচনা কৰা হৈছিল।

২। স্কুলসমূহত প্ৰচলন কৰা পাঠ্যক্ৰমসমূহ যথেষ্ট বহল আছিল। ব্যাকৰণ, ইতিহাস, ভূগোল ইত্যাদি বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল।

৩। মিছনেৰীসকলে ভাৰতত পোনপ্ৰথমে ছপাশাল স্থাপন কৰি ছপা কিতাপৰ প্ৰবৰ্তন কৰে।

৪। আধুনিক ব্যৱস্থাৰ দৰেই নিৰ্ধাৰিত সময়ত শিক্ষা প্ৰদান কৰা হৈছিল। দেওবাৰ বন্ধদিন হিচাপে বিবেচনা কৰা হৈছিল।

৫। শিক্ষা প্ৰদানৰ বাবে শিক্ষক নিযুক্তি দিয়া হৈছিল। স্কুলসমূহত এজনতকৈ অধিক শিক্ষক নিযুক্তি দিয়া হৈছিল আৰু শ্ৰেণী বিভাগ কৰি শিক্ষা দিয়া হৈছিল।

৬। সাধাৰণতে স্থানীয় ভাষাত শিক্ষা দিয়া হৈছিল। ইয়াৰ উপৰিও ইংৰাজী ভাষাৰো প্ৰচলন কৰা হৈছিল।

৭। প্ৰায়ভাগ স্কুলতে ল'ৰা-ছোৱালী আকৰ্ষণ কৰিবৰ বাবে বিনামূলীয়া শিক্ষা, পাঠ্যপুথি, আহাৰ আৰু পোছাকৰ ব্যৱস্থা কৰা হৈছিল।

৮। শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি শিক্ষকক প্ৰশিক্ষণ দিয়াত বিশেষ উদ্যোগ হাতত লৈছিল।

১৮২৩ চনৰ ১৩ ছেপ্তেম্বৰত এলফিন্‌ষ্টোনৰ প্ৰতিবেদন প্ৰকাশ কৰা হয়। ইয়াত তলত দিয়াধৰণে কিছুমান পদক্ষেপ গ্ৰহণ কৰিবলৈ কোৱা হয়—

১। স্থানীয় অঞ্চলত শিক্ষাদানৰ পদ্ধতি উন্নত কৰাৰ লগতে স্কুলৰ সংখ্যা বৃদ্ধি কৰিবলৈ কোৱা হয়।

২। স্কুলীয়া পাঠ্যপুথি যোগান ধৰিবলৈ উপদেশ দিয়া হয়।



৩। তলৰ শ্ৰেণীৰ লোকৰ মাজত শিক্ষা বিস্তাৰৰ বাবে তেওঁলোকে বুজি পোৱা ধৰণে শিক্ষা নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ দিয়া হয়।

৪। ইউৰোপীয় বিজ্ঞান আৰু উচ্চশিক্ষা প্ৰচাৰৰ উদ্দেশ্যে স্কুল স্থাপন কৰিবলৈ দিয়া হয়।

৫। স্থানীয় ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ উপৰিও প্ৰকাশ কৰি নৈতিক আৰু শাৰিৰীক বিজ্ঞানৰ শিক্ষা প্ৰদান কৰিবলৈ কোৱা হয়।

৬। যিসকলে ইংৰাজী ভাষাত শিক্ষা ল'ব বিচাৰে তেওঁলোকৰ বাবে স্কুল স্থাপন কৰাৰ লগতে ইউৰোপীয়ান দেশৰ আবিষ্কাৰসমূহৰ বিষয়ে জ্ঞান লভিবলৈ আৰু ইংৰাজীক এটা বিষয় হিচাপে শিকিব খোজা সকলক সুবিধা দিবৰ বাবে শিক্ষানুষ্ঠান স্থাপন কৰিবলৈ দিছিল।

৭। প্ৰাচীন আৰু হেৰাই যাবলৈ ধৰা জ্ঞানৰ বিভাগসমূহ পুনৰুজ্জীৱিত কৰি শিকিবলৈ সুবিধা প্ৰদান কৰাৰ বাবে কোৱা হৈছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষত বেহা-বেপাৰ আৰু খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ কৰা যিহেতু তেওঁলোক বেহা-বেপাৰৰ উদ্দেশ্যে ভাৰতলৈ আহিছিল গতিকে ভাৰতীয় লোকক শিক্ষিত কৰাৰ উদ্দেশ্য তেওঁলোকৰ নাছিল। সেই সময়ত সমসাময়িক শাসকলকলেও সাধাৰণ লোকৰ বিষয়ে ভবা নাছিল। সমসাময়িক শাসকৰ উত্থান পতনৰ ফলত হোৱা ৰাজনৈতিক আৰু অৰ্থনৈতিক অস্থিৰতায়ো দেশৰ জনগণক শিক্ষালাভৰ পৰা বঞ্চিত কৰি আহিছিল। সেই সময়ত খ্ৰীষ্টিয়ান মিছনেৰীসকলে ৰাইজৰ শিক্ষাৰ দায়িত্ব বহন কৰে। এই মিছনেৰীসকলৰ কাৰ্য্যাৱলী মাদ্ৰাজ (বৰ্তমান চেন্নাই), বংগদেশ আৰু বোম্বে (মুম্বাই) ত আবদ্ধ আছিল। কিছুসংখ্যক মিছনেৰীয়ে অসমলৈ আহিও কিছু শিক্ষাবিস্তাৰৰ কাম কৰিছিল।

ওঠৰ শতিকাৰ আৰম্ভণিতে ডেনিচ মিছনেৰীসকলে ট্ৰেংকুবাৰ (Tranquebar) ত কেন্দ্ৰ স্থাপন কৰে। জিগেনবাগ (Zigenbalg) ৰ নেতৃত্বত এই কেন্দ্ৰ স্থাপন কৰা হয়। ১৬৯৮ চনত খ্ৰীষ্টান ধৰ্মৰ জ্ঞান বিকাশ কেন্দ্ৰ (Society for the Promotion of Christian Knowledge) (SPCK) স্থাপন কৰা হয়। দুয়োটা কেন্দ্ৰই এটাই আনটোৰ সহযোগত কাম কৰিবলৈ লৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ কোৰ্ট অৱ্ ডাইৰেক্টৰ (Court of Director) SPCK আৰু ডেনিচ মিছনেৰীসকলক মাদ্ৰাজ প্ৰেছিডেন্সীত স্কুল খুলিবলৈ অনুমতি দিয়ে। মাদ্ৰাছ চৰকাৰেও এই মিছনেৰী চ'চাইটীক আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ আগ্ৰহী হয়। ডেনিচ মিছনেৰীসকলে ১৭১৭ চনত দুখন চেৰিটী স্কুল (Charity School) স্থাপন কৰে। ইয়াৰে এখন পৰ্তুগীজ ল'ৰা-ছোৱালী আৰু আনখন তামিল ল'ৰা-ছোৱালীবিলাকৰ বাবে স্থাপন কৰে। এইক্ষেত্ৰত সফলতা লাভ কৰাৰ পিছত সমগ্ৰ মাদ্ৰাজ প্ৰেছিডেন্সীত আৰু কিছু স্কুল স্থাপন কৰে।

Society for Propagation of Gospel নামৰ সমিতিখন ১৭০৭ চনত স্থাপিত হয়। ১৭৩৬ চনত স্কাল্টজে (Schutze) এটা গীৰ্জা আৰু দুখন স্কুল স্থাপন কৰে। ১৭৮৬ চনত লেডী কেম্পবেলে (Lady cambell) নাৰীৰ বাবে এখন অনাথ আশ্ৰম প্ৰতিষ্ঠা কৰে (Female Orpham Asyuum)। এইক্ষেত্ৰত অৰ্কোটৰ নবাবে বিদ্যালয় গৃহ নিৰ্মাণ কৰি দিয়াৰ উপৰিও স্থানীয় লোক আৰু শাসকে অৰ্থনৈতিক সহায় আগবঢ়ায়।

১৭৮৭ চনত ড. এন্দ্ৰিউ বেলে (Dr. Andrew Bell) পুৰুষৰ বাবে এখন অনাথালয় স্থাপন কৰে। ইয়াতেই তেওঁ বিখ্যাত 'মনিটৰিয়েল প্ৰথা' (Monitorial System) আৰম্ভণি কৰে। শিক্ষাদানৰ বাবে শিক্ষকৰ অভাব পূৰণ কৰিবলৈ তেওঁ ওপৰৰ শ্ৰেণীৰ ছাত্ৰৰদ্বাৰা তলৰ শ্ৰেণীৰ ছাত্ৰক পাঠদান কৰিবলৈ নিযুক্তি দিয়ে। পিছলৈ ইংলেণ্ডতো তেওঁ শিক্ষকৰ অভাব পূৰণ কৰি কম খৰছতে বাধ্যতামূলক শিক্ষা প্ৰচাৰৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰে।

১৮০৫ চনত লণ্ডন মিছনেৰী চ'চাইটীয়ে (London Missionary Society) মাদ্ৰাজত এখন স্কুল স্থাপন কৰে আৰু ক্ৰমান্বয়ে আন আন ঠাইতো তেওঁলোকে বিদ্যালয় স্থাপন কৰে। ১৮১২ চনত চেন্ট থমাছ মাউন্টত (St. Thomas Mount) এখন দেওবৰীয়া স্কুল (Sunday School) স্থাপন কৰা হয়। দক্ষিণ ভাৰতত চৰকাৰী পৃষ্ঠপোষকতাত স্থাপন কৰা বিদ্যালয়সমূহে শিক্ষা-ব্যৱস্থালৈ এটি নতুন ধাৰা বোৱাই আনে।

১৮৮২ চনত থমাছ মনৰো (Thomas Munro) ই মাদ্ৰাজৰ প্ৰাচীন দেশীয় শিক্ষাব্যৱস্থাৰ ওপৰত এটি অনুসন্ধান চলায়। তেওঁ মত প্ৰকাশ কৰিছিল যে একমাত্ৰ শাসনৰ দিশৰ প্ৰতি লক্ষ্যৰাখি ব্ৰিটিছসকলে ভাৰতত কিছু পৰিমাণে ভাৰতীয় স্কুল স্থাপন কৰিব লাগে। ১৯ শতিকাৰ আৰম্ভণিতে ভাৰতবৰ্ষত দেশীয় শিক্ষ্যব্যৱস্থাই গা কৰি উঠে।

যোল্ল আৰু সোতৰ শতিকাত বোম্বে নগৰীত অসংখ্য স্কুল আৰু কলেজ প্ৰতিষ্ঠা হৈছিল। পৰ্তুগীজসকলে এই বিদ্যালয়সমূহ স্থাপন কৰিছিল। ১৫৮০ চনত প্ৰথমখন জেচুইট কলেজ (Jesuit college) স্থাপন হয়। ইয়াৰ উপৰিও আন দুখন কলেজো স্থাপন কৰা হয়। ১৬২০ চনত চেন্ট এনি (St. Anne) কলেজ বন্দোৰাত (Bondora) স্থাপন কৰা হয়। ১৬২৩ চনত বোম্বেত আন এখন কলেজ স্থাপন কৰা হয়। ৰেভাফেণ্ড ৰিচাৰ্ড কবে (Rev. Richard Cobbe) ই প্ৰটেষ্টন্ট ল'ৰা-ছোৱালীসকলৰ বাবে এখন স্কুল স্থাপন কৰে। ১৭৯০ চনত এখন পৰ্তুগীজ ইউৰেচিয়ান (Portuguese Eurosian) স্কুল স্থাপন কৰা হয়। ১৮১৫ চনত স্থাপন কৰা বোম্বে চ'চাইটীয়ে বোম্বে, থানা আৰু চুৰাটত থকা প্ৰাথমিক স্কুলসমূহ চোৱাচিতাৰ দায়িত্ব লয়। ১৮১৪-১৮৫৯ চনলৈ প্ৰাথমিক শিক্ষাৰ বিশেষ প্ৰসাৰ হোৱা দেখা যায়। আমেৰিকান মিছনেৰী চ'চাইটি, স্কটিছ মিছনেৰী চ'চাইটী লণ্ডন মিছনেৰী চ'চাইটী আৰু চাৰ্চ মিছনেৰী চ'চাইটীৰ নাম এই ক্ষেত্ৰত উল্লেখযোগ্য। ১৮২৯ চনত বোম্বেৰ গৱৰ্ণৰ এল্‌ফিনষ্টোনে (Elphinstone) শিক্ষাৰ ওপৰত অনুসন্ধান কৰে। চৰকাৰী শিক্ষা বিভাগে দেশীয় শিক্ষাব্যৱস্থাক কৰা অবহেলাৰ বাবে সেই সময়ত বোম্বে প্ৰেসিডেন্সীত দেশীয় শিক্ষা দুখলগাধৰণে হ্ৰাস পাবলৈ ধৰে আৰু ১৮৮২ চনত এই সংখ্যা নগণ্য হৈ পৰে।



১৭৫৭ চনৰ পলাশী যুদ্ধৰ পিছত ইংৰাজসকলে ভাৰতবৰ্ষ অধিকাৰ কৰে। সেই সময়ত বংগদেশত দেশীয় শিক্ষাব্যৱস্থাৰ প্ৰচলন আছিল। ১৭৮৯ চনত Calcutta Free School Society (কলিকতাৰ মুক্ত শিক্ষা সমাজ) প্ৰতিষ্ঠা হয় আৰু কলিকতাত থকা ইউৰোপীয়ানসকলৰ ল'ৰা-ছোৱালীৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰে। অসামৰিক সেৱাৰ বিষয়া আৰু গৱৰ্ণৰ জেনেৰেলে এই সমাজখনৰ মুক্তভাৱে পৃষ্ঠপোষকতা কৰে।

১৮ শতিকাৰ শেষলৈ কেৰী, মাৰ্চমেন আৰু ৱাৰ্ডে (Cary, Marshman and Ward) ভাৰতবৰ্ষত প্ৰবেশ কৰে। এই ব্যপ্তিষ্ট মিছনেৰীসকলক শ্ৰীৰামপুৰ ত্ৰিয়ো (Serampore Trio) বুলি জনা গৈছিল। ইয়াৰে ভিতৰত মাৰ্ছমেন এগৰাকী শিক্ষক, ৱাৰ্ড এজন ছপাকৰ্মী আৰু কেৰী এগৰাকী ধৰ্ম প্ৰচাৰক আছিল। তেওঁলোকে শ্ৰীৰামপুৰত বসতি স্থাপন কৰি কলিকতাত বহুতো স্কুল স্থাপন কৰে। ছাত্ৰ-ছাত্ৰীক শিক্ষা দিবৰ বাবে তেওঁলোকে প্ৰতিষ্ঠা কৰা ছপাশালত দেশীয় বৰ্ণমালাৰ পুথি প্ৰকাশ কৰে।

চাৰ্চ মিছনেৰী চ'চাইটীয়ে বৰ্ধমানৰ ওচৰে পাজৰে স্কুল নিৰ্মাণ কৰে। ডেভিদ হাৰে (David Hare) এখন দেশীয় বৰ্ণমালাৰ স্কুল আৰু এখন ইংৰাজী স্কুল স্থাপন কৰে। তদুপৰি ভাৰতীয় আৰু ইউৰোপীয়ান শিক্ষিত ব্যক্তি কিছুমানে ইংৰাজী শিকিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত স্কুলত ইংৰাজী শিকোৱাৰ ব্যৱস্থা কৰি দিয়ে। ১৮১৭ চনত কলিকতা স্কুল বুক চ'চাইটীয়ে (Calcutta School Book Society) স্কুলীয়া পাঠ্যক্ৰমৰ অভাব পূৰণ কৰিবলৈ পাঠ্য পুস্তিকা প্ৰকাশ কৰে। ১৮১৯ চনত কলিকতা স্কুল চ'চাইটীয়ে (Calcutta School Society) ইংৰাজী আৰু দেশীয় ভাষাৰ অসংখ্য পুথি ৰচনা কৰে।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিমতে অসমখন ইংৰাজৰ হাতলৈ যায়। ১৮২৯ চনত গুৱাহাটীত এটা শ্ৰীৰামপুৰ মিছনেৰীৰ কেন্দ্ৰ স্থাপন কৰা হয়। ১৮৬৬ চনত ৰেভাৰেণ্ড নাথান ব্ৰাউন (Nathan Brown) আৰু অলিভাৰ কট্টাৰ (Oliver Cutter)ৰ নেতৃত্বত এটা মিছনেৰী দল অসমৰ শদিয়াত প্ৰৱেশ কৰে। তেওঁলোকক আমেৰিকান বেপ্তিষ্ট মিছন ফ'ৰেইন চ'চাইটীয়ে (Baptist Mission Foreign Society) অসমলৈ পঠিয়াইছিল। তেওঁলোকে লগত এটি ছপাশাল লৈ আহে। সেই সময়তে ড° ব্ৰনছন নামৰ আন এগৰাকী মিছনেৰী অসমলৈ আহি জয়পুৰ নামে ঠাইত নগাসকলৰ মাজত শিক্ষা আৰু ধৰ্ম বিস্তাৰৰ কাম আৰম্ভ কৰে। ১৮৪৫ চনত গুৱাহাটীত প্ৰথম ব্যাপ্তিষ্ট মিছনেৰী গীৰ্জাঘৰ স্থাপন কৰা হয় আৰু ইয়াৰ শাখা নগাও আৰু শিবসাগৰত স্থাপন হয়। নগাৰত মিছনেৰীসকলে এটি অনাথালয়, স্কুল আৰু হস্পিতেল নিৰ্মাণ কৰি সাধাৰণ জনসাধাৰণক শিক্ষা আৰু স্বাস্থ্যৰক্ষাৰ সুবিধা প্ৰদান কৰে।

খ্ৰীষ্টিয়ান মিছনেৰীসকলে অসমত আধুনিক শিক্ষাৰ বাট মুকলি কৰি দিয়ে। শিক্ষা প্ৰসাৰৰ বাবে তেওঁলোকে অসমীয়া আৰু বিভিন্ন স্থানীয় ভাষাৰ লগতে ইংৰাজী ভাষাত পুথি প্ৰণয়ন কৰে। তেওঁলোকে আধুনিক গদ্য সাহিত্যৰ ধাৰাও মুকলি কৰে। তদুপৰি বাইবেলখন অসমীয়ালৈ অনুবাদ কৰি প্ৰথম অসমীয়া কিতাপ হিচাপে ছপা কৰি উলিয়ায়। অসমৰ প্ৰথম অসমীয়া আলোচনী ১৮৪৬ চনত 'অৰুণোদই' (Arunudai) ড° অ. টি. কট্টাৰে প্ৰকাশ কৰি উলিয়ায়। তদুপৰি প্ৰথম অসমীয়া অভিধান, ব্যাকৰণ আৰু গদ্যপুথি খ্ৰীষ্টিয়ান মিছনেৰীসকলে ছপা কৰি অসমীয়াত প্ৰকাশ কৰে।

প্ৰাৰম্ভিক পৰ্যায়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ স্কুলসমূহত বেঙ্গলী ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ বিপৰীতে মিছনেৰী স্কুলসমূহত অসমীয়া নাইবা মাতৃভাষাৰ প্ৰচলন আছিল। ১৮৭৩ চনত ১৯ এপ্ৰিলৰ পৰাহে কেইগৰাকীমান বৰেণ্য অসমীয়াৰ উদ্যোগত পুনৰ অসমীয়া ভাষা স্কুল, অফিচ আৰু কাছাৰীত প্ৰচলন হয়। খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ আশাশুধীয়া প্ৰচেষ্টাত অসমীয়া সাহিত্য আৰু সংস্কৃতিয়ে এক নিজস্ব ধাৰা লাভ কৰিবলৈ সক্ষম হয়।

মিছনেৰীসকলৰ প্ৰচেষ্টাত ১৮৩৯ চনত ৰবিন্চনে (Robinson) প্ৰথম অসমীয়া অভিধান "A" Grammer of Assamese Language প্ৰকাশ কৰে আৰু ১৮৪৮ চনত (Brown) ব্ৰাউনে দ্বিতীয়খন অভিধান ছপা কৰি উলিয়ায়। এইদৰে খ্ৰীষ্টিয়ান মিছনেৰীসকলে অসম আৰু ইয়াৰ পাহাৰীয়া অঞ্চলসমূহত প্ৰাথমিক শিক্ষাৰ সংযোগকেন্দ্ৰ গঢ়ি তোলে। স্কুলসমূহৰ পাঠ্যক্ৰম আৰু আচবাব উন্নত হোৱাৰ লগতে শিক্ষকৰ সংখ্যাও পৰ্যাপ্ত পৰিমাণৰ আছিল। মিছনেৰীসকলে ৰাজ্যৰ বিভিন্ন প্ৰান্তত স্কুল আৰু কলেজ স্থাপন কৰি অসমৰ শিক্ষা বিকাশত বিশেষ অৰিহণা যোগাইছিল।

## ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন (The East India Company's Role)

ইংলেণ্ডৰ অগ্ৰণী ব্যৱসায়িক কোম্পানী আছিল ইষ্ট ইণ্ডিয়া কোম্পানী। ১৫৯৯ চনত ইষ্ট-ইণ্ডিয়া কোম্পানী গঠন কৰা হৈছিল ৰাণী এলিজাবেথৰ পৰা পোৱা অনুমতি অনুসৰি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষত ১৬০০ শ চনত বেহা-বেপাৰৰ বাবে পদাৰ্পণ কৰে। পোণতে তেওঁলোকে দক্ষিণ-পশ্চিম উপকূলৰ চুৰাট অঞ্চলত ব্যৱসায় কেন্দ্ৰ স্থাপন কৰে। কোম্পানীৰ আৰ্থিক দিশত সাফল্য বৃদ্ধি হোৱাৰ লগে লগে ব্যৱসায়ৰ পৰিসৰো অন্য ঠাইলৈ সম্প্ৰসাৰিত হ'বলৈ ধৰে।

ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ব্যৱসায় স্বাৰ্থৰ উপৰিও খ্ৰীষ্ট ধৰ্ম প্ৰসাৰ সাধনৰ বাবেও বিশেষ গুৰুত্ব আৰোপ কৰিছিল। এনে উদ্দেশ্য সিদ্ধিৰ বাবে কোম্পানীয়ে ১৬১৪ চনত কেইগৰাকীমান ভাৰতীয় লোকক তেওঁলোকৰ খৰচত ইংলেণ্ডত খ্ৰীষ্ট-ধৰ্মত দীক্ষিত কৰি ভাৰতলৈ আনে। তদুপৰি ১৬৫১ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ক'ট অৱ ডিৰেক্টৰে ভাৰতীয়সকলৰ মাজত ধৰ্ম প্ৰচাৰ আৰু শিক্ষা বিস্তাৰৰ অনুমতি প্ৰদান কৰাৰ বাবে মিছনেৰীসকলে অধিক উৎসাহৰে ধৰ্ম প্ৰচাৰত জড়িত হৈ পৰে।

ইংৰাজী ১৬৬৮ চনত কোম্পানীৰ চনদৰ ম্যাদ উকলি যোৱাত ৰাণী এলিজাবেথৰ লগত চুক্তি সম্পাদন কৰি পুনৰ অনুজ্ঞাপত্ৰ অথবা চাৰ্টাৰৰ নবীকৰণৰ ব্যৱস্থা কৰা হয়। এনে নবীকৰণৰ সময়ত ইংলেণ্ডৰ পাৰ্লিয়ামেণ্টে মিছনেৰীসকলৰ সপক্ষে এটা দফা অন্তৰ্ভুক্ত কৰা হৈছিল। এই নতুন দফা অনুসৰি ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ধৰ্মীয় যাজকৰ নিয়োগ কৰে। কোম্পানীৰ ব্যৱসায় বাণিজ্যত জড়িত এনেদৰে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে শিক্ষাত ধৰ্ম নিৰপেক্ষ নীতি গ্ৰহণ কৰি উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিছিল। কোম্পানীৰ এই শিক্ষানুষ্ঠানসমূহত কোম্পানীৰ অসামৰিক কৰ্মচাৰীসকলক প্ৰাচ্যৰ শিক্ষা ব্যৱস্থাৰ দ্বাৰা



হিন্দু আইন, মুছলমান আইন, ভাৰত বুৰঞ্জী, আৰাবী, পাৰ্চিয়ান, সংস্কৃত আদি শিকোৱা হৈছিল। ভাষা বিষয়ৰ আৰু আইন সম্পৰ্কীয় পাঠ্যপুথি প্ৰণয়ন কৰা হৈছিল। উচ্চ শ্ৰেণীৰ হিন্দু আৰু মুছলমান লোকসকলকো এনে শিক্ষা প্ৰদান কৰা হৈছিল। কোম্পানীৰ এনে প্ৰচেষ্টাত আধুনিক ভাৰতবৰ্ষৰ শিক্ষা-সংস্কৃতিৰ ভেঁটি নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। কোম্পানীৰ দ্বাৰা নিয়োজিত ধৰ্মযাজক সকলে ইউৰোপিয়ানসকলৰ ল'ৰা ছোৱালী, কোম্পানীৰ তলতীয়া কৰ্মচাৰীসকলৰ ল'ৰা ছোৱালী আৰু এংলো-ইণ্ডিয়ান লোকসকলৰ ল'ৰা ছোৱালীক শিক্ষা প্ৰদানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অনাথ বিদ্যালয় স্থাপনৰ জৰিয়তে এনে ল'ৰা-ছোৱালীসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল আৰু এই ব্যৱস্থাই আধুনিক ভাৰতৰ শিক্ষাৰ ভেঁটি নিৰ্মাণ প্ৰক্ৰিয়া অধিক গতিশীল কৰি তুলিছিল।

## ১৮১৩ চনৰ চাৰ্টাৰ আইন (Charter Act, 1813)

ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ব্ৰিটিছ পাৰ্লিয়ামেণ্টৰ অনুমোদন সাপেক্ষে ১৬০০ খ্ৰীষ্টাব্দত ভাৰতবৰ্ষত বেহা-বেপাৰ কৰাৰ উদ্দেশ্যে প্ৰশে কৰে। তেওঁলোকে আহি বেহা-বেপাৰ তথা ব্ৰিটিছ সাম্ৰাজ্য বিস্তাৰৰ হকে কাম কৰি থকাৰ লগে লগে খ্ৰীষ্টিয়ান মিছনেৰীসকলে ভাৰতবৰ্ষত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ তথা ভাৰতীয়সকলৰ শিক্ষাৰ নিমিত্তে যথেষ্ট কাম কৰিছিল। প্ৰথম অৱস্থাত কোম্পানীৰ বিষয়াসকলে ভাৰতৰ শিক্ষাৰ বিকাশত কোনো ধৰণৰ আগ্ৰহ প্ৰকাশ কৰা নাছিল। কিন্তু চাৰ্লছ গ্ৰাণ্ট নামৰ কোম্পানীৰ এজন পুৰণা কৰ্মচাৰী, যি পাছলৈ ব্ৰিটিছ পাৰ্লিয়ামেণ্টৰো সদস্য হৈছিল আৰু ব্ৰিটিছ পাৰ্লিয়ামেণ্টৰ অন্য এগৰাকী সদস্য গ্ৰাণ্ট উইলবাৰফৰ্চ আদি লোকসকলৰ প্ৰচেষ্টাত ১৮১৩ চনৰ চাৰ্টাৰ আইনত ভাৰতৰ মানুহৰ শিক্ষা সম্পৰ্কে এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত হয়।

এই আইনৰ ৪৩নং অনুচ্ছেদত কোৱা হয় যে কোম্পানীৰ মিলিটেৰী, নাগৰিকসকল, ব্যৱসায়-বাণিজ্য, প্ৰতিষ্ঠান আৰু অন্যান্য দিশৰ ধাৰৰ সূদৰ প্ৰয়োজনীয় খা-খৰচ বাদ দিয়াৰ পাছত লভ্যাংশৰ পৰা বছৰি কমে ও এক লাখ টকাকৈ ভাৰতীয় সাহিত্যৰ উন্নতি তথা ভাৰতীয় শিক্ষিত লোকৰ উন্নতিৰ বাবে আৰু ভাৰতবৰ্ষত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে আছুতীয়াকৈ ৰাখিব লাগে। (...after defraying the expenses of military, civil and commercial establishments and paying interest of debt in manner here after provided, a sum of not less than one lakh of rupees in each year shall be set apart and applied to the revival and improvement of literature and the encouragement of the learned natives of India and for the introduction and promotion of knowledge of science among the inhabitants of the British territories in India.)

এই আইনখনক ভাৰতৰ শিক্ষাৰ ইতিহাসত এক মাইলৰ খুঁটি স্বৰূপে বিবেচনা কৰা হয়। কাৰণ ১৮১৩ চনৰ চাৰ্টাৰ আইনেই পোনপ্ৰথমে ভাৰতীয় মানুহৰ শিক্ষাৰ কাৰণে যে চৰকাৰ অথবা ৰাষ্ট্ৰই আৰ্থিক

দায়িত্ব বহন কৰিবলাগে তাক প্ৰতীয়মান কৰি তোলে। এই আইনৰ পিছৰ পৰাই ভাৰতবৰ্ষত কোম্পানীৰ তৰফৰ পৰা বিদ্যালয় স্থাপনৰ ক্ষেত্ৰত যথেষ্ট কাম হাতত লোৱা হয় তথা খ্ৰীষ্টীয়ান মিছনেৰীসকলকো শিক্ষাৰ ক্ষেত্ৰত কাম কৰাৰ হকে যথেষ্ট স্বাধীনতা প্ৰদান কৰা হয়। এই সকলো কথা সম্ভৱ হৈছিল চাৰ্লছ গ্ৰাণ্ট আৰু উইলবাৰফৰ্চৰ নিচিনা ব্যক্তিসকলৰ একাণপতীয়া প্ৰচেষ্টাৰ বাবে। যাৰ বাবে চাৰ্লছ গ্ৰাণ্টক ভাৰতৰ আধুনিক শিক্ষাৰ পিতাস্বৰূপে গণ্য কৰা হয়।

চাৰ্টাৰ আইন ভাৰতীয় শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত এক উল্লেখযোগ্য দলিল হিচাপে গণ্য কৰিব পাৰি। এই আইনৰ জৰিয়তে ইংৰাজ সাংসদসকলে পোনপ্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত শিক্ষাৰ প্ৰচলন যে প্ৰয়োজন তাৰ গুৰুত্ব উপলব্ধি কৰিছিল। ভাৰতীয় শিক্ষাৰ দুৰ্বলতা আঁতৰ কৰাৰ বাবে আৰ্থিক অনুদানৰ প্ৰয়োজনীয়তা আৰু সেয়ে ইয়াৰ বাবে বছৰি এক লাখ ধাৰ্য কৰাৰ নিৰ্দেশ দিয়াটোৱে প্ৰমাণ কৰে যে ইংৰাজ সাংসদসকলৰ ভাৰতীয় শিক্ষাৰ প্ৰয়োজন অনুভৱ কৰি আইনৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰে। তদুপৰি ভাৰতীয় লোকসকলৰ বাবে শিক্ষা প্ৰদান আৰু বিকাশৰ দায়িত্ব বহন কৰাটো ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰধান কৰ্তব্য, এইটোও স্পষ্ট হয়। আনহাতে ব্যৱসায়-বাণিজ্যৰ পৰা অহা ৰাজহৰ অংশীদাৰ ভাৰতবাসী লোকসকলেও যাতে উপভোগ কৰিব পাৰে তাকো এই আইনে নিশ্চিত কৰে। এই আইনৰদ্বাৰা এইটো প্ৰতীয়মান হয় যে ভাৰত ইংৰাজী সাহিত্য আৰু সংস্কৃতিৰ প্ৰায়োগিকতা অধিক আৰু এই বছৰি একলাখ টকা সাহিত্যৰ পুনৰজীৱন আৰু উন্নতি সাধনৰ বাবে খৰচৰ ব্যৱস্থা কৰা হয়। ইয়াৰ দ্বাৰা এইটো স্পষ্ট হয় যে এই আইনখনে ভাৰতবৰ্ষত ইংৰাজী শিক্ষা বিকাশৰ বাবে এখন নতুন আইন সূচনাৰ সৃষ্টি কৰিছিল। গতিকে এই আইনখন ভাৰতৰ শিক্ষামূলক প্ৰথম চৰকাৰী পদক্ষেপ আছিল বুলি ক'ব পাৰি।

## প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ (Anglicist-Classicist Controversy)

১৮১৩ চনৰ চাৰ্টাৰ আইন অনুসৰি ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ভাৰতত বছৰি এক লাখকৈ টকা শিক্ষাৰ শিতানত খৰচ কৰাটো বাধ্যতামূলক হৈ উঠে। কিন্তু এই প্ৰথমবাৰৰ কাৰণে ইমানখিনি টকা খৰচৰ সিদ্ধান্ত হয় যদিও টকাখিনি খৰচক কেন্দ্ৰ কৰি দেশী-বিদেশী সকলো শিক্ষা কৰ্তৃপক্ষই সচেতন হৈ উঠে আৰু আইনৰ ধাৰাৰ স্বৰূপ ব্যাখ্যাৰ ক্ষেত্ৰত সুকীয়া স্থিতি গ্ৰহণ কৰে। যাৰ ফলত ভাৰতত এক বিবাদৰ সূচনা হয়। এই বিবাদৰ মূল কাৰণ হ'ল—

(ক) ভাৰতীয় শিক্ষা নীতিৰ কোনো সুনিৰ্দিষ্ট স্পষ্ট ধাৰণাৰ অভাৱ।

(খ) আইনৰ পৰামৰ্শবোৰৰ অস্পষ্টতা।

(গ) শিক্ষা সম্বন্ধে থকা বিবাদ নিষ্পত্তি কৰাৰ বাবে উপযুক্ত লোকৰ অভাৱ।

ইতিমধ্যে চাৰ্টাৰ আইনৰ ফলস্বৰূপে লাভ কৰা টকা, কোম্পানীৰ বিষয়ববীয়াসকলে কোনো নীতি



ঠিক নকৰাকৈ খৰচৰ বাবে ব্যস্ত হৈ পৰিল। এনে নীতিবিহীন কাৰ্যৰ সমালোচনা আৰম্ভ হ'বলৈ ধৰিলে আৰু এনে সমালোচনা প্ৰাচ্য, পাশ্চাত্য আৰু কেতবোৰ কোম্পানীৰ কৰ্মচাৰীয়েও অংশ গ্ৰহণ কৰিলে। ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ভাষা-সাহিত্যৰ নীতি গ্ৰহণ কৰি কলিকতা, মাদ্ৰাজ আৰু বেনাৰস সংস্কৃত কলেজ প্ৰতিষ্ঠা কৰিছিল। সংস্কৃত আৰু আৰবী ভাষাৰ পুথি ৰচনা আৰু প্ৰকাশ কৰা হৈছিল। পৌৰাণিক ভাৰতীয় পুথি ইংৰাজী ভাষালৈ অনুবাদ কৰে। তদুপৰি দিল্লী আৰু আগ্ৰাত দুখনকৈ ভাৰতীয় আৰ্হিত মহাবিদ্যালয় স্থাপন কৰিছিল। কিন্তু কোম্পানীৰ লোকসকলৰ এনে কাৰ্যই ভাৰতীয় জনসাধাৰণ, কিছুসংখ্যক কোম্পানীৰ চাকৰিয়াল আৰু মিছনেৰীসকলৰ মনত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। কোম্পানীৰ এনে কাৰ্যত ৰাজা ৰামমোহন ৰায়ে এক বিহীত ব্যৱস্থা ল'বলৈ অনুৰোধ জনাই গৱৰ্ণৰ জেনেৰেললৈ আবেদন কৰে। ৰাজা ৰামমোহন ৰায়ৰ আবেদনৰ ভিত্তিত এক উদাৰনৈতিক আৰু পাণ্ডিত্যসুলভ শিক্ষা ব্যৱস্থাৰ বাবে চেষ্টা কৰা হয়। এইখিনিতে উল্লেখযোগ্য যে কোম্পানীয়ে দেশীয় শিক্ষা অনুষ্ঠানক অৰ্থ সাহায্যও দিছিল। কোম্পানীৰ Sir H.T. Princep প্ৰাচ্য ভাষা-সাহিত্যৰ সমৰ্থনৰ গুৰি ধৰিছিল আৰু ইংৰাজী সাহিত্যৰ পৃষ্ঠপোষকতা কৰা মূল ব্যক্তিজন আছিল Travelian। এওঁলোক দুজনৰ দলৰ মাজত ভাষা-সাহিত্য-বিজ্ঞান আদিৰ কথালৈ ইমানেই বিবাদ আছিল যে সুদীৰ্ঘ ১২ বছৰ কালতো তাৰ মীমাংসা কৰিব পৰা নগ'ল (১৮২৩ চনৰ পৰা ১৮৩৫ চনলৈকে)। এই বিবাদ অধিক তীব্ৰতৰ হোৱা বাবে ১৮২৩ চনত এখন জেনেৰেল কমিটি অব্ পাব্লিক ইনষ্ট্ৰাক্চন গঠন কৰা হৈছিল আৰু কমিটিক খৰচৰ বাবে এক লাখ টকাও দিয়া হয়। এই কমিটিখনৰ দহজন সদস্য আছিল, য'ত সপক্ষে আৰু বিপক্ষে পাঁচজনকৈ সমান সংখ্যক সদস্য আছিল। কমিটিৰ ইংৰাজী সাহিত্য আৰু পশ্চিমীয়া বিজ্ঞানৰ সমৰ্থকসকলক Anglicist বা পাশ্চাত্য আৰু ভাৰতীয় ভাষা-সাহিত্য-বিজ্ঞানৰ সমৰ্থকসকলক Classicist বা প্ৰাচ্য বুলি আখ্যা দিয়া হৈছিল। শিক্ষাৰ উদ্দেশ্য, শিক্ষাৰ মাধ্যম, শিক্ষাৰ দায়িত্ব আৰু ভাৰতত শিক্ষাৰ শিক্ষাদান পদ্ধতি সম্পৰ্কে কেনেকুৱা হ'ব লাগিব, এইবোৰ বিষয় প্ৰধানকৈ মতবিৰোধ হৈছিল।

তলত এই বিষয়ে থুলমূলকৈ আলোচনা কৰা হ'ল—

১। **শিক্ষাৰ লক্ষ্য** (Aims of Education) ঃ ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ ৪৩নং দফাটোত শিক্ষা-সাহিত্যৰ পুনৰজীৱন আৰু উন্নতিৰ কথা কোৱা হৈছিল যদিও তাত ভাৰতীয় সাহিত্য পশ্চিমীয়া সাহিত্যৰ উন্নয়নৰ কথা যে কৈছে তাৰ কোনো স্পষ্ট উল্লেখ নাছিল। গতিকে জেনেৰেল কমিটি অব্ পাব্লিক ইনষ্ট্ৰাকছনত থকা প্ৰাচ্য সমৰ্থনকাৰীসকলে মত দৰ্শায় যে ভাৰতীয় সাহিত্যৰ সংৰক্ষণ আৰু বিকাশ কৰাটো শিক্ষাৰ লক্ষ্য হোৱা উচিত। পাশ্চাত্যৰ সমৰ্থনকাৰীসকলে মতামত দিয়ে যে ইউৰোপৰ জ্ঞান-বিজ্ঞানৰ প্ৰয়োগৰ যোগেদি ভাৰতীয়সকল আধুনিকীকৰণ কৰাটো শিক্ষাৰ লক্ষ্য হ'ব লাগে। আন লোকসকলে মত প্ৰকাশ কৰে যে কেৱল কোম্পানীৰ তলত নিয়োগ হ'ব পৰাটো শিক্ষাৰ লক্ষ্য হোৱা উচিত।

২। **শিক্ষাৰ মাধ্যম** (Medium of Education) ঃ শিক্ষাৰ মাধ্যম সম্পৰ্কে প্ৰাচ্য আৰু পাশ্চাত্য দলৰ মাজত প্ৰধানকৈ মতবিৰোধ আছিল যদিও প্ৰাচ্যৰ লোকসকলৰ মাজতো বেলেগ মতামতে প্ৰাধান্য লাভ কৰিছিল। প্ৰাচ্যৰ মূল লোকসকলৰ মতে 'Literature' শব্দটোৱে মূলতে প্ৰাচীন ভাৰতীয় ভাষাকহে বুজাইছে আৰু সেয়ে সংস্কৃত আৰু আৰবী আদি ভাষাৰে পশ্চিমীয়া দেশৰ জ্ঞান-বিজ্ঞানৰ শিক্ষা দিব পাৰি। পাশ্চাত্যপন্থীৰ মতে 'Literature' শব্দটোৱে কেৱল ইংৰাজী ভাষা-সাহিত্যক বুজাইছে আৰু সেইবাবে ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম হোৱা উচিত। ভাৰতীয়ৰ আনটো দলে মতপোষণ কৰে যে যিহেতু সংস্কৃত বা আৰবী কথোপকথন ভাষা নহয়, সেয়ে আধুনিক ভাৰতীয় ভাষা (M.I.L.) শিক্ষাৰ মাধ্যম হোৱা উচিত। মনৰো, এল্ ফিনষ্টোন আদি লোকসকলে এই মত প্ৰকাশ কৰে।

৩। **শিক্ষাৰ দায়িত্ব** (Educational Responsibility) ঃ ভাৰতীয় শিক্ষাৰ দায়িত্ব সম্বন্ধেও যথেষ্ট মত পাৰ্থক্যৰ সৃষ্টি হয়। এটা পন্থীয়ে মত দৰ্শায় যে ইষ্ট-ইণ্ডিয়া কোম্পানী দেশৰ প্ৰশাসনীয় কৰ্তৃপক্ষ আৰু সেইবাবে তেওঁলোকে শিক্ষাৰ দায়িত্ব ল'ব লাগে। দ্বিতীয় দলটোৱে মতপ্ৰকাশ কৰে যে মিছনেৰীসকলৰ শিক্ষা জগতলৈ অৱদান বেছি আৰু সেয়ে তেওঁলোকে শিক্ষাৰ দায়িত্ব লোৱা উচিত। তৃতীয়টো দলে দাবী কৰে যে ভাৰতীয় লোকসকলেহে শিক্ষা-সংস্কৃতিৰ উত্তৰাধিকাৰী আৰু সেয়ে তেওঁলোকে শিক্ষাৰ পৰিচালনাৰ দায়িত্ব ল'ব লাগে।

৪। **শিক্ষাদান পদ্ধতি** (Methods of Teaching) ঃ শিক্ষাদান সম্পৰ্কে এটা পক্ষই মত পোষণ কৰে যে ভাৰতৰ দৰে এখন বিশাল দেশৰ সকলো লোকৰ কাৰণে মাত্ৰ এক লাখ টকাৰে শিক্ষাৰ ব্যৱস্থা কৰাটো সম্ভৱ নহয়। গতিকে কেৱল নিৰ্দিষ্ট শিক্ষিত লোকসকলকহে শিক্ষা দিব লাগে আৰু এনে লোকে শেষলৈ সৰ্বসাধাৰণ লোকৰ মাজত শিক্ষা বিস্তাৰ কৰিব। আনটো দলে মত পোষণ কৰি কয় যে উচ্চ শ্ৰেণীৰ লোকসকলে সদায়েই নিম্ন শ্ৰেণীক অৱহেলা কৰি আহিছে। গতিকে সকলো ভাৰতীয় জনসাধাৰণে শিক্ষাগ্ৰহণৰ সমান সুবিধা লাভ কৰা উচিত।

এনেদৰে প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ বহুদিনলৈ চলি আছিল আৰু বিভিন্ন দিশত এক জটিল পৰিৱেশৰ সৃষ্টি কৰিছিল, যাৰ ফলস্বৰূপে চৰকাৰে অনুদান দিয়া একলাখ টকা খৰচ কৰাৰ পৰা বিৰত থাকিল।

## মেকলেইৰ প্ৰতিবেদন (Macaulay's Minute)

লৰ্ড মেকলেই ১৮৩৪ চনৰ মাজভাগত ভাৰতৰ গৱৰ্ণৰ জেনেৰেলৰ আইন উপদেষ্টা হিচাপে ভাৰতবৰ্ষলৈ আহে। আহিয়েই তেওঁ তেওঁৰ যোগ্যতাৰ বাবে 'জেনেৰেল কমিটি অব্ পাব্লিক ইনষ্ট্ৰাক্‌ছন'ৰ সভাপতি হয়। সেই সময়ত ভাৰতবৰ্ষত প্ৰাচ্য-পাশ্চাত্যৰ বিবাদ তুংগত আছিল বাবেই মেকলেই এই সমস্যাৰ সমাধানৰ সুযোগ লাভ কৰে।



১৮৩৫ চনৰ ২ ফেব্ৰুৱাৰীত লৰ্ড মেকলেই তেখেতৰ মতামত প্ৰতিবেদন আকাৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড বেণ্টিংকৰ হাতত অৰ্পণ কৰে। এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই চৰকাৰে প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ মীমাংসাত উপনীত হয় আৰু লৰ্ড বেণ্টিংকে ১৮৩৫ চনৰ ৭ মাৰ্চত চৰকাৰৰ নতুন শিক্ষা নীতি ঘোষণা কৰে।

লৰ্ড মেকলেই তেওঁৰ প্ৰতিবেদনত ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ ৪৩নং দফাত উল্লেখ থকা 'সাহিত্য' আৰু 'দেশীয় শিক্ষিত লোক' শব্দ দুটাৰ ব্যাখ্যা দাঙি ধৰি কয় যে সাহিত্য শব্দই ইংৰাজী সাহিত্য আৰু দেশীয় শিক্ষিত লোক শব্দই ইংৰাজী সাহিত্য জনা ভাৰতীয় লোকক বুজাইছে। তেওঁৰ মতে ভাৰতীয় লোকৰ বিজ্ঞান শিক্ষা কেৱল ইংৰাজী মাধ্যমৰ জৰিয়তেহে সম্ভৱ হৈ উঠিব।

লৰ্ড মেকলেই আনকি ভাৰতীয় ভাষাৰ মাধ্যমত চলি থকা অনুষ্ঠানসমূহ পৰাপক্ষত বন্ধ কৰি দিয়া উচিত বুলিও মন্তব্য আগবঢ়াইছিল। তেখেতৰ সংস্কৃত, আৰবী আৰু পাচীৰ দৰে ভাষাসমূহৰ কোনো সম্যক জ্ঞান নাছিল, যাৰ বাবে তেওঁ লিখিছিল, "ভাৰতবৰ্ষ আৰু আৰবৰ সকলো দেশীয় ভাষা-সাহিত্যৰ কিতাপ-পত্ৰ একেলগ কৰিলেও ইয়াৰ মূল্য ইংৰাজী সাহিত্যৰ এথাক কিতাপৰ সমান হ'ব নোৱাৰে।" (A single self of a good European library was worth the whole native literature of India and Arabic)

ভাৰতবৰ্ষত ইংৰাজী শিক্ষাৰ আৰু মাধ্যমৰ সপক্ষে যুক্তি দৰ্শাই তেওঁ লিখিছে যে "ইংৰাজী হ'ল ভাৰতত শাসক গোষ্ঠীৰ ভাষা। দেশীয় লোকৰ ভিতৰত যিসকল উচ্চ আৰু যিসকল চৰকাৰী পদবীত আছে তেওঁলোকে ইংৰাজী জানে আৰু লিখা-পঢ়া কৰে। এই ভাষা অতি শীঘ্ৰে প্ৰাচ্যৰ ব্যৱসায়ৰ মাধ্যম হ'বগৈ।" (English is the language spoken by the ruling class. It is likely to because the language of commerce throughout the seas of the East.) তেওঁৰ মতে ভাৰতবৰ্ষত ইংৰাজী ভাষাৰ ব্যৱহাৰে নৱজাগৰণৰ সৃষ্টি কৰিব।

মেকলেইৰ প্ৰতিবেদনতে উল্লেখ থকা অন্য এটি অতি গুৰুত্বপূৰ্ণ কথা হ'ল তেওঁৰ নিম্ন পৰিশ্ৰম নীতি (Downward Filtration Theory)। মেকলেৰ মতে, ভাৰতবৰ্ষৰ সকলো মানুহকে একেলগে শিক্ষা দিয়াটো সম্ভৱপৰ নহয়। তেওঁৰ মতে প্ৰথমতে এটা শ্ৰেণীক ইংৰাজী শিক্ষা দিব লাগিব, যিসকল লোক হ'ব তেজ-মঙহেৰে ভাৰতীয়, কিন্তু ভাব-ভংগী, মতাদৰ্শ, নৈতিকতা আৰু বুদ্ধিমত্তাৰ ফালৰ পৰা ইউৰোপীয়। সেইসকল ইংৰাজী শিক্ষাৰে শিক্ষিত লোকে তেওঁলোকৰ তলৰ চাম লোকক এই শিক্ষা বিলাই দিব। (A class of persons Indian in blood and colour, but English in taste, in opinions, in morals and in intellect and that education was to filter down from them to the masses.)

মেকলেৰ প্ৰতিবেদনৰ মূল দফাবোৰ তলত উল্লেখ কৰা হ'ল—

১। ইংৰাজী শিক্ষাৰ মাধ্যম হ'ব লাগিব। যিহেতু ইংৰাজী ভাষা এক গুৰুত্বপূৰ্ণ ভাষা, সেয়ে এই ভাষাৰ জ্ঞানৰ জৰিয়তে ভাৰতত শিক্ষা বিস্তাৰ হোৱা উচিত। ইংৰাজী সাহিত্যৰ হকে মন্তব্য আগবঢ়াই মেকলেই কৈছিল যে 'শিক্ষিত পণ্ডিত' বুলি ক'লে কেৱল সংস্কৃতৰ পণ্ডিত বা আৰবী, পাৰ্চী জনা মৌলবীক নুবুজায়। আৰবী আৰু সংস্কৃততকৈ ইংৰাজী ভাষা অতি উচ্চখাপৰ। মিল্টন (Milton) আৰু লক (Lock)ৰ দৰ্শনৰ ওপৰত পাৰদৰ্শিতা থকা লোকেহে ইংৰাজী ভাষা-সাহিত্যৰ তাৎপৰ্য বুজি পাব। ইংৰাজী সাহিত্য আৰু ভাষা, জ্ঞান-বিজ্ঞানৰ অফুৰন্ত ভাণ্ডাৰ। মেকলেৰ মতে, ইউৰোপত গ্ৰীক আৰু লেটিন ভাষাই যি নৱজাগৰণৰ ধাৰা আনিছিল ভাৰততো ইংৰাজী অনুৰূপ পৰিৱৰ্তন সাধন আনিব পাৰিব। গতিকে ভাৰতীয় দেশীয় বিদ্যালয়বোৰ বন্ধ কৰিব লাগে আৰু ভাৰতত কেৱল ইংৰাজী ভাষাৰ প্ৰচলন হ'ব লাগে।

২। **নিম্নগামী পৰিশ্ৰাৱণ নীতি :** মেকলেই নিম্নগামী পৰিস্ৰাৱণ নীতিৰ পৃষ্ঠপোষক আছিল। এই নীতিমতে পানী কেনেকৈ ওপৰৰ পৰা তললৈ নিম্নগামী গতিত পৰে, ঠিক তেনেকৈ ওপৰৰ শ্ৰেণীৰ লোকসকলক শিক্ষিত কৰিব পাৰিলে সেই শিক্ষাই নিজে নিজেই তলৰ শ্ৰেণীৰ লোকৰ মাজত সিঁচৰতি হ'ব। মেকলেই কৈছিল যে ইংৰাজী শিক্ষাৰদ্বাৰা এচাম ব্যক্তিক গঢ়ি তুলিব লাগে, যাৰ ৰং আৰু তেজ ভাৰতীয়ৰ কিন্তু ৰুচি, অভিমত, নৈতিকতা আৰু বৌদ্ধিক দিশত ইংৰাজ হ'ব লাগিব।

৩। **সাহিত্যৰ অৰ্থ :** মেকলেই 'সাহিত্য' শব্দৰ অৰ্থ বিশ্লেষণ কৰি কয় যে ১৮১৩ চনৰ চাৰ্টাৰ আইনৰ 'Literature' শব্দৰ মূল অৰ্থ হৈছে 'ইংৰাজী সাহিত্য' (English Literature)। তেওঁ কৈছিল যে গোটেই আৰৱ আৰু ভাৰতৰ দেশীয় সাহিত্যৰ সমষ্টি ইউৰোপীয় গ্ৰন্থাগাৰ এটাৰ এটা খলপহে (A single self of a good European library was worth the whole native literature of India and Arbia.)। তেওঁ পুনৰ দোহাৰে যে যিসকল লোকে ইংৰাজী ভাষা জানে তেনে ব্যক্তিয়েহে পৃথিৱীৰ সকলো উন্নত দেশ আৰু জ্ঞানী পুৰুষৰ বৌদ্ধিক সম্পদৰ লগত সম্বন্ধ ৰাখিব পাৰিব।

৪। **দেশীয় স্কুলসমূহলৈ অনুদান বন্ধ :** প্ৰাচ্যসকলে দেশীয় স্কুলৰ অনুদান বন্ধৰ বিৰোধিতা কৰিছিল যদিও মেকলেই যুক্তিৰে বুজাইছিল যে যদি চৰকাৰে ভাবে এই স্কুলবোৰ যথেষ্ট আওপুৰণি নীতিৰ মাজত আৱদ্ধ, তেন্তে অনুদান দিয়াৰ নীতি আৰু কৌশল সলনি কৰিব লাগে।

৫। **ইংৰাজী সাহিত্যৰ বাবে আইনী নীতি প্ৰস্তুতি :** মেকলেই প্ৰাচীন ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়নৰ বাবে কোনো আগ্ৰহ দেখুৱা নাছিল। তেওঁৰ মতে হিন্দু আৰু মুছলিম আইন সংস্কৃত, আৰবী আৰু পাৰ্চী ভাষাৰ দ্বাৰা অধ্যয়ন কৰিব নোৱাৰি। আইনৰ জ্ঞান আয়ত্ত কৰিবলৈ হ'লে দেশীয় স্কুলৰ প্ৰয়োজন নহয়। গতিকে মেকলেই যুক্তি দিছিল যে আইনসমৃদ্ধ সকলো সংস্কৃত, আৰবী আৰু পাৰ্চী ভাষাৰ কিতাপসমূহ ইংৰাজী সাহিত্যলৈ অনুবাদ কৰিব লাগে।



৬। **ধৰ্মীয় দিশত নিৰপেক্ষ নীতি গ্ৰহণ :** মেকলেৰ মতে যদি আমি শিক্ষাৰ মাধ্যম সংস্কৃত, আৰবী বা পাৰ্চী ভাষা কৰোঁ, তেন্তে বুৰঞ্জী, জ্যোতিষশাস্ত্ৰ আৰু চিকিৎসা বিজ্ঞান শিকোৱাটো ভুল হ'ব। কাৰণ প্ৰাচীন ভাৰতীয় ভাষাবোৰ কেতবোৰ মিছা ধৰ্মৰ লগত জড়িত। গতিকে ধৰ্মীয় কাৰ্যত সদায় নিৰপক্ষে হ'ব লাগে।

এনেদৰে মেকলেইৰ প্ৰতিবেদনে ভাৰতবৰ্ষত ইংৰাজী শিক্ষা বিকাশৰ বাবে এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল। ভাৰতত চৰকাৰী বাবে ইংৰাজী শিক্ষা প্ৰৱৰ্তনৰ প্ৰথম নিৰ্দেশনাৰ আছিল মেকলেইৰ প্ৰতিবেদন। ভাৰতত ইংৰাজী ভাষাৰ মাধ্যমেৰে পশ্চিমীয়া জ্ঞান প্ৰদান কৰাটোৱেই এই প্ৰতিবেদনৰ অন্যতম উদ্দেশ্য আছিল। পাশ্চাত্যৰ শিক্ষাৰদ্বাৰা ভাৰতীয় ভাষা-সাহিত্যৰ উন্নতিৰ বাবে মেকলেৰ অধিক জোৰ দিছিল, যাৰ বাবে এই প্ৰতিবেদনক ইংৰাজী শিক্ষাৰ ভেটি বুলি ক'ব পাৰি। সুদীৰ্ঘ বাৰ বছৰ কাল সমাধান নোহোৱাকৈ থকা চাৰ্টাৰ ১৮১৩ আইনৰ বাক্‌বিতণ্ডা মেকলেই অন্ত পেলাবলৈ সমকক্ষ হৈছিল। তথাপি সামৰণিত আমি ক'ব পাৰোঁ যে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্ৰতি মেকলেই মুঠেই আগ্ৰহী নাছিল। কেৱল মাত্ৰ ইংৰাজী ভাষা-সাহিত্যৰ বিকাশৰ বাবে যৎপৰোনাস্তি কৰিছিল। ভাৰতীয় ভাষা-সাহিত্যক তেওঁ সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিছিল, যাৰ বাবে ভাৰতীয় সংস্কৃতি বিকাশ হোৱা নাছিল। আনহাতে তেওঁৰ নিম্ন পৰিস্ৰাৱণ নীতিয়ে ভাৰতীয় লোকক শিক্ষাৰ পৰাও বঞ্চিত কৰিছিল।

## নিম্ন পৰিশ্ৰাৱণ তত্ত্ব (Downward Filtration Theory)

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰথম অৱস্থাত বেহা-বেপাৰৰ উদ্দেশ্যে ভাৰতলৈ আহিছিল। পিছলৈ ১৭৫৭ চনৰ পলাশী আৰু ১৭৬৫ চনত বক্সাৰৰ যুদ্ধত জয়ী হোৱাৰ পিছত তেওঁলোকে ভাৰতবৰ্ষৰ শাসনৰ ভাৰ ল'বলৈ ইচ্ছা প্ৰকাশ কৰিলে। এই পৰিপ্ৰেক্ষিতত তেওঁলোকে ভাৰতবৰ্ষৰ বেনাৰস, মুম্বাই আৰু মাদ্ৰাজত কেইখনমান বিদ্যালয় স্থাপন কৰাৰ লগতে সংস্কৃত আৰু আৰবী ভাষাৰ শিক্ষা বিস্তাৰত আগভাগ লোৱাৰ উপৰিও কিছু সংখ্যক লোকে আৰবী আৰু সংস্কৃত ভাষা আয়ত্ব কৰে।

চাৰ্লছ গ্ৰাণ্ট (Charles Grant : 1767-1780) বৃটিছ পাৰ্লিয়ামেণ্টৰ এগৰাকী সদস্য আছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন দায়িত্বশীল বিষয়া হিচাপে তেওঁ পাৰ্লিয়ামেণ্টত ভাৰতীয় হিন্দুসকলক শিক্ষিত কৰিবলৈ ইংৰাজী শিক্ষা দিয়াৰ সপক্ষে যুক্তি প্ৰদান কৰে, যাতে তেওঁলোকৰ মনৰপৰা অজ্ঞানতা দূৰ কৰিব পৰা যায়। তেওঁৰ দ্বাৰা প্ৰভাৱিত হৈ পিছলৈ এইদিনত চিন্তা-চৰ্চা আৰম্ভ হয়। ১৮১১ চনৰ ৬ মাৰ্চত গৱৰ্ণৰ-জেনেৰেল লৰ্ড মিণ্টোই কোৰ্ট অফ ডাইৰেক্টৰ্চক (Court of Directors) এলানি চিঠি লিখে আৰু ভাৰতীয় শিক্ষাৰ নিম্নগামীতা ৰোধ কৰিবলৈ শিক্ষাৰ সংস্কাৰ সাধন কৰিবলৈ

পৰামৰ্শ দিয়ে। এইক্ষেত্ৰত ভাৰতীয় লোকৰ মাজত খ্ৰীষ্টানধৰ্ম বিয়পোৱাৰ উদ্দেশ্যে ইংৰাজী ভাষা-সাহিত্য আৰু বিজ্ঞানৰ শিক্ষা প্ৰচলনৰ উদ্যোগ ল'বলৈ ব্ৰিটিছ পাৰ্লিয়ামেণ্টক অনুৰোধ কৰে।

চাৰ্লচ্ গ্ৰাণ্টে ধৰ্মযাজক উইলিয়াম উইলবাৰ্ফৰ্চ (William Willberforce) ৰ লগ লাগি ভাৰতবৰ্ষত ইংৰাজী ভাষাৰ সপক্ষে যুক্তি আগবঢ়ায়। এনে সময়ত কোম্পানীৰ চনদ (Charter) পুনৰ নবীকৰণৰ সময় হয়। বৃটিছৰ হাউচ্ অফ্ কমনচ্ (House of Commons) লৰ্ড ৱেলেছ্লি (Lord Wellesley) আৰু চাৰ থমাছ মন'ৰো (Sir Thomas Munro) ৰ দৰে দক্ষ ব্যক্তিক এইক্ষেত্ৰত পৰামৰ্শ দিবলৈ নিযুক্তি দিয়ে। বিভিন্ন বাদ-বিবাদৰ অন্তত চনদত (Charter) এক নতুন সংযোজন 43 ধাৰা (Clause 43) অন্তৰ্ভুক্ত কৰা হয়। এই ধাৰা অনুযায়ী বৃটিছৰ অধীনত থকা ভাৰতীয়সকলৰ বাবে বছৰি একলাখকৈ টকা ভাৰতত সাহিত্য আৰু সংস্কৃতি বিস্তাৰৰ বাবে ব্যয় কৰা হ'ব আৰু ইয়াৰ জৰিয়তে বিজ্ঞান শিক্ষাৰ লগত ভাৰতীয়সকলক পৰিচয় কৰাই দিয়া হ'ব।

"A sum of not less than one lac of rupee in each year shall be set apart and applied to the revival and improvement of literature and the encouragement of the learned ratives of India and for the introduction and promotion of knowledge of the sciences among the inhabitants of the British territories in India."

চনদৰ এই ধাৰাই ভাৰতবৰ্ষত ইংৰাজী সাহিত্যৰ পথ প্ৰশস্ত কৰি দিলে। ১৮১৩ চনৰ চনদত উল্লেখ থকা একলাখ টকা ইষ্ট ইণ্ডিয়া কোম্পানীৰ বছৰি ৰাহি হোৱা টকাৰপৰা খৰচ কৰিবলৈ দিয়া হৈছিল। কিন্তু এইক্ষেত্ৰত কোনো স্পষ্ট নিৰ্দেশ দিয়া হোৱা নাছিল। ইয়ে বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছিল। এইক্ষেত্ৰত বৃটিছ লোকসকলৰ মাজতো বিভাজনৰ সৃষ্টি হৈছিল। প্ৰাচ্য আৰু পাশ্চাত্যৰ বিদ্বান লোকসকলে নিজ নিজ পক্ষত যুক্তি আগবঢ়াইছিল। এক দীৰ্ঘ সময়ৰ বাবে এই বিবাদ চলি আছিল।

(ক) শিক্ষাৰ লক্ষ্য (On aim of Education)
(খ) শিক্ষাৰ মাধ্যম (On Medium of Introduction)
(গ) শিক্ষাৰ দায়িত্ব (On Educational Authority)
(ঘ) শিক্ষাদানৰ পদ্ধতি (On Method of Education)

শিক্ষাদান পদ্ধতি কেনে ধৰণৰ হোৱা উচিত সেই বিষয়ে প্ৰাচ্য-পাশ্চাত্যৰ মাজত এক বিবাদৰ সূত্ৰপাত হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন লোকে বিভিন্ন ধৰণে মন্তব্য আগবঢ়ায়। এইক্ষেত্ৰত চৰকাৰী ফালৰপৰা ব্যাখ্যা আগবঢ়োৱা হয় যে ভাৰতবৰ্ষ এখন বিশাল দেশ। গতিকে সকলো শ্ৰেণীৰ লোকৰ বাবে শিক্ষাৰ ব্যৱস্থা কৰিব পৰা নাযায়। গতিকে শিক্ষিত লোকৰ ল'ৰা-ছোৱালীক প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিব লাগে। তেওঁলোকে ভৱিষ্যতে এই শিক্ষা সাধাৰণ লোকৰ মাজলৈ লৈ যাব।



আনহাতে আন এটা দলে মত প্ৰকাশ কৰিছিল যে ভাৰতবৰ্ষৰ সকলো লোকেক সমভাৱে শিক্ষা প্ৰদান কৰিব লাগে। ইয়াৰদ্বাৰাই জনসাধাৰণে শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰিব। অৱশেষত লৰ্ড মেকলেই এইক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। মেক'লেৰ মতে ভাৰতবৰ্ষৰ বছা বছা কিছু উচ্চশ্ৰেণীৰ শিক্ষিত লোকৰ সন্তানক শিক্ষাপ্ৰদান কৰিব লাগে। ইংৰাজী শিক্ষাৰদ্বাৰা এচাম ব্যক্তি গঢ় দিব লাগে যাৰ ৰং আৰু তেজ ভাৰতীয়, কিন্তু ৰুচি-অভিমত, চিন্তাধাৰা আৰু বুদ্ধিদীপ্ততা ইংৰাজ লোকৰ দৰে হ'ব লাগিব।

মেক'লেৰ শিক্ষাপদ্ধতি অনুযায়ী পানী যেনেকৈ ওপৰৰ পৰা নিম্নগামী হয়, ঠিক তেনেকৈ ওপৰৰ শ্ৰেণীৰ কিছুসংখ্যক লোকক শিক্ষিত কৰিব পাৰিলে তেওঁলোকে তলৰ শ্ৰেণীৰ লোকৰ মাজলৈ ভৱিষ্যতে শিক্ষা বোৱাই নিব পাৰিব। পৰিশ্ৰাৱণৰ অৰ্থ হৈছে পানী যেনেকৈ ওপৰৰ পৰা তললৈ নিগৰি নিগৰি শোধন হয়, ঠিক তেনেকৈ সমাজৰ শিক্ষা ব্যৱস্থাত ওপৰৰ পৰা তলৰ শ্ৰেণীত নিগৰি পৰিব। সেইবাবেই এই নীতিক নিম্ন পৰিশ্ৰাৱণ নীতি (Downward Filtration Theory) বুলি অভিহিত কৰা হয়। এনে দৃষ্টিভংগীৰে মেক'লে কেইজনমান ভাৰতীয় লোক শিক্ষিত কৰি পশ্চিমীয়া শিক্ষা বিস্তাৰৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিছিল।

শিক্ষা প্ৰদানৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত ব্যয় সংকোচন কৰাৰ উদ্দেশ্যে লৰ্ড মেক'লেই এই পৰামৰ্শ প্ৰদান কৰিছিল। ইয়াৰ উপৰিও ভাৰতবৰ্ষৰ সকলো শ্ৰেণীৰ লোকেক শিক্ষা প্ৰদান কৰাটো ইষ্ট-ইণ্ডিয়া কোম্পানীৰ মুখ্য উদ্দেশ্য নাছিল। কিছু সংখ্যক উচ্চ তথা শিক্ষিত শ্ৰেণীৰ লোক আৰু কোম্পানীৰ চাকৰি কৰা চাকৰিয়ালৰ সন্তানৰ বাবে এই শিক্ষাৰ বাট মুকলি আছিল। যাতে তেওঁলোকে ভৱিষ্যতে শিক্ষিত হৈ কোম্পানীৰ নিম্নপদত নিযুক্তি পাব পাৰে আৰু লণ্ডনৰ পৰা কৰ্মচাৰী অনাৰ খৰছ কিছু পৰিমাণে সংকোচন কৰিব পাৰি।

লৰ্ড মেক'লেৰ নিম্ন পৰিশ্ৰাৱণ নীতি (Downward Filtration Theory) বিভিন্ন দিশত সমালোচিত হৈছিল। ইয়াৰ ফলত সকলো ভাৰতীয় লোকৰ বাবে ইংৰাজী শিক্ষাৰ দ্বাৰা খুলি দিয়া হোৱা নাছিল। সমাজৰ এক নগণ্যসংখ্যক লোকৰ বাবে শিক্ষা গ্ৰহণৰ সুবিধা দিয়া হৈছিল। শিক্ষা গ্ৰহণৰ সমাপ্তিত তেওঁলোকে অন্যান্য সাধাৰণ জনতাৰ বাবে যে শিক্ষা প্ৰচাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব তাৰ কোনো নিশ্চয়তা নাছিল। তদুপৰি এই ব্যৱস্থাই সমাজত উচ্চ-নীচৰ ব্যৱধান সৃষ্টি কৰি এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ভাৰতীয়সকলৰ ভিতৰত প্ৰতিজন সচেতন লোকেই এই পদ্ধতিৰ বিৰোধিতা কৰিছিল। এক দীঘলীয়া সময়ৰ বাবে লৰ্ড মেক'লেৰ এই নিম্ন পৰিশ্ৰাৱণ নীতি (Downward Filtration Theory) বিৰোধৰ সন্মুখীন হয়।

নিম্ন পৰিস্ৰাৱন নীতি চৰকাৰে গ্ৰহণ কৰাৰ কেইবাটাও কাৰণ পৰিলক্ষিত হয়। যেনে —

১। চৰকাৰী কোম্পানীসমূহত বিভিন্ন কৰ্মচাৰীৰ প্ৰয়োজন হৈছিল। অতি কম মাননিত যাতে কোম্পানীৰ ব্যৱসায়ত নিয়োগ কৰিব পাৰে তাৰ স্বাৰ্থ পূৰণৰ অৰ্থে কিছুমানে ভাৰতীয় লোকক উচ্চ শিক্ষা দিয়া হৈছিল।

২। চৰকাৰৰ জনসাধাৰণৰ শিক্ষাৰ বাবে আৰ্থিক ব্যৱস্থা টনকিয়াল নাছিল। গতিকে কিছু সংখ্যক লোকক শিক্ষিত কৰি জনগণৰ শিক্ষা দিয়াত নিয়োগ কৰা বিবেচনা কৰা হৈছিল।

৩। বৃটিছ শাসকসকলৰ বিশ্বাস আছিল যে যদি জীৱনৰ মানদণ্ড আৰু আদৰ্শ সমাজৰ উচ্চ শ্ৰেণীৰ দ্বাৰা পৰিবৰ্তন কৰিব পাৰে, তেনেহ'লে তেনেলোকৰ দ্বাৰা নিম্নশ্ৰেণী লোকসকলক ইংৰাজী শিক্ষাৰ জ্ঞান প্ৰদানত সহায় হ'ব আৰু চৰকাৰৰ প্ৰতি আকৰ্ষণ বাঢ়িব।

৪। ইংৰাজী ভাষাৰে শিক্ষিত লোকসকলে চৰকাৰী চাকৰিত মকৰল হোৱাত সুবিধা পাব।

৫। কিছুলোক শিক্ষিত হ'লে, সাধাৰণ লোক শিক্ষাৰ দায়িত্ব তেওঁলোকে গ্ৰহণ কৰিব পাৰি।

লৰ্ড মে'কলেইৰ এই নিম্ন পৰিস্ৰাৱন নীতি কোম্পানীৰ ডিৰেক্টৰসকলে মানি লৈছিল আৰু ভাৰতীয় শিক্ষা নীতি কেৱল উচ্চস্তৰীয় কৰ্তৃপক্ষই সমৰ্থন কৰিব। ১৮৪৪ চনত লৰ্ড হাৰ্ডি (Lord Hardinge)য়ে তেওঁৰ ঘোষণা পত্ৰত চৰকাৰী চাকৰিৰ বাবে জনসাধাৰণক ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ শিক্ষাগ্ৰহণৰ পৰামৰ্শ প্ৰদান কৰে। ফলত চৰকাৰী চাকৰি লাভৰ উদ্দেশ্যে বহু ভাৰতীয়ই ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ নামভৰ্তি কৰে আৰু চাকৰি পোৱাৰ অন্তত এই শিক্ষিত লোকসকল সাধাৰণ লোকৰ পৰা আঁতৰি যায়। গতিকে শিক্ষা এক প্ৰহসন হিচাপে পৰিগণিত হয়।

## প্ৰশ্নাৱলী (Questions)

১। ব্ৰিটিছ ভাৰতবৰ্ষৰ দেশীয় শিক্ষাব্যৱস্থাৰ বিষয়ে আলোচনা কৰা।
(Discuss about the indigenous aducation system in British India.)

২। অসমত মিছনেৰীসকলৰ কাৰ্যাৱলীৰ বিষয়ে বৰ্ণনা কৰা।
(Explain about the attributes of Missionaries in Assam)

৩। ১৮১৩ চনৰ চাৰ্টাৰ আইন কি? চাৰ্টাৰ আইনৰ গুৰুত্ব আলোচনা কৰা।
(What is Charter Act of 1813? Discuss the importance of Charter Act.)

৪। প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত হোৱা বিবাদৰ এক চমু বিৱৰণী লিখা।
(Write briefly the controversy between Anghicist-Classicist.)

৫। কি কি বিষয়ৰ ওপৰত প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত বিবাদৰ সূচনা হৈছিল?
(On what issues the controversies arose between the Anglicist and the classicist?)



৬। ভাৰতৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে লৰ্ড মেকলেৰ পৰামৰ্শসমূহ কি আছিল?
(What are the suggestions of Lord Macaulay's on Indian education system?)

৭। প্ৰাচ্য-পাশ্চাত্যৰ বিবাদৰ ওৰ পেলাবলৈ লৰ্ড মেকলেই আগবঢ়োৱা মতামতসমূহ উল্লেখ কৰা।
(Mention the views given by Lord Macaulay to bring an end regarding the controversy of Anglicist-Classicist.)

৮। ভাৰতীয় শিক্ষালৈ লৰ্ড মেকলেইৰ অৱদান সম্বন্ধে এক সমালোচনাত্মক টোকা লিখা।
(Write a critical note on Macaulay's contribution to Indian Education.)

৯। নিম্ন পৰিস্ৰাৱন তত্ত্ব বুলিলে কি বুজা?
(What is Downward Filtration Theory)

১০। নিম্ন পৰিস্ৰাৱন তত্ত্বৰ ভাল আৰু বেয়া দিশসমূহ কি কি আছিল আলোচনা কৰা।
(Discuss about the good and bad effects of Downward.)

● ● ●